Content includes AI-generated material

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, MARCH 04, 2025 ■ মঙলবাৰ, ১৯ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৬৭ Guwahati, Assam ।। মূল্যঃ এটকা

শিল্পী ধৰ্মেশ্বৰ নাথ ওজাৰ দেহাৱসান



বিতং বাতৰি ১০ পৃষ্ঠাত

## এপিএছচিৰ তদন্তৰ নামত প্ৰহসন! ৰাকেশ পালে চাকৰি দিয়া ৬১০ জনেই সুৰক্ষিত

### সদনত বিধায়ক অখিল গগৈৰ চাঞ্চল্যকৰ তথ্য

**ই-সংবাদ, ৩ মাৰ্চঃ** আজি অখিল গগৈয়ে এপিএছচিৰ কেলেংকাৰীক লৈ বিধানসভাত চাঞ্চল্যকৰ তথ্য দাঙি ধৰে। ৰাকেশ পালৰ দিনত ২০১৩ আৰু ২০১৪ চনত কিমান লোকে চাকৰি পালে, শেষাংশ ৩ পৃষ্ঠাত





### এপিএছচি কেলেংকাৰীক লৈ মুখ্যমন্ত্ৰীৰ ভাষণ

## সোণোৱালক ধন্যবাদ দি গৌৰৱ গগৈক আকৌ কৰিলে বহু দীঘলীয়া সমালোচনা

**ই-সংবাদ, ৩ মাৰ্চঃ** আজি আকৌ এবাৰ অসম বিধানসভাৰ মজিয়াত অখিল গগৈ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মাজত বাকযুদ্ধ দেখা গ'ল। চৰকাৰে ৰাকেশ পালৰ দিনত বক্ৰ পথেৰে শেষাংশ ২ পৃষ্ঠাত

### উন্নয়নৰ ঢাক-ঢোলে যমপুৰী সজাইছে মহানগৰীক

# গুৱাহাটীত বিষাক্ত বতাহ!

### ■ এটা বছৰতে ৫৪ শতাংশ পৰ্যন্ত বৃদ্ধি পালে বায়ু প্ৰদূষণ, ৫ বছৰত সৰ্বাধিক

**পংকজ তৰুণ, ৩ মাৰ্চঃ** ফাগুনৰ বতৰত এনেয়েই আকাশ ধূলিয়ৰি। তাতে আকৌ বায়ু প্ৰদূষণে একপ্ৰকাৰ নৰকসদৃশ কৰি তুলিছে মহানগৰবাসীৰ জীৱন। দ্বিতীয় পৃষ্ঠাত চাওক

### আদানিক ধনী কৰিবলৈ স্মাৰ্ট মিটাৰ



বিতং বাতৰি ৪ পৃষ্ঠাত

### আইআইটি বাবাক গ্ৰেপ্তাৰ, জামিন লাভ

**জয়পুৰ, ৩ মাৰ্চঃ** নিউজৰুমত পীতবস্ত্ৰধাৰীৰ আক্ৰমণ বিতৰ্কৰ পিছত এইবাৰ আন এক বিতৰ্কৰে ৫ পৃষ্ঠাত চাওক



লোকক দেখুৱাই কেটেৰা-জেঙেৰা, ভিতৰি...

### কলেজৰ চতুৰ্থ মহলাৰ পৰা জাঁপ দি নিহত ছাত্ৰী

**ই-সংবাদ, ৩ মাৰ্চঃ** আজি দিন-দুপৰতে ৰাজধানী গুৱাহাটী মহানগৰীত ৭ পৃষ্ঠাত চাওক

### আজি আনটো গোচৰৰ শুনানি

## এটা গোচৰত মহবুবুলক জামিন

**ই-সংবাদ বিশেষ, ৩ মাৰ্চঃ** মেঘালয়ৰ ৰি-ভই জিলাৰ ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিশ্ববিদ্যালয় চমুকৈ ইউএছটিএমৰ ৭ পৃষ্ঠাত



### গৃহ বিভাগৰ তথ্য

## হিমন্ত বিশ্বৰ চৰকাৰৰ দিনত ২৯৩টা ভুৱা এনকাউণ্টাৰ!

**ই-সংবাদ, ৩ মাৰ্চঃ** ভুৱা এনকাউণ্টাৰ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ত চলি থকা গোচৰত অসম চৰকাৰে শপতনামা দাখিল ৪ পৃষ্ঠাত চাওক

## বিশ্ব ৰেকৰ্ডতকৈ ডাঙৰ নহয় পৰীক্ষা! মেট্ৰিক নিদিলে ৬ সহস্ৰাধিক শিক্ষাৰ্থীয়ে

**ঝুমুৰ নাচি টকা ২৫ হাজাৰ পোৱাৰ আশাতেই বাদ পৰিল এটা বছৰ**

**ই-সংবাদ, ৩ মাৰ্চঃ** অখলে গ'ল ৬০০০ শিক্ষাৰ্থীৰ এটা শিক্ষাবৰ্ষ। দিবলৈ নাপালে মেট্ৰিক-হায়াৰ ছেকেণ্ডাৰী পৰীক্ষা। অসম চৰকাৰে মহা ধুমধামেৰে শেষাংশ ৬ পৃষ্ঠাত

### কংগ্ৰেছ নেতাৰ গোচৰৰ শুনানিত তীক্ষ্ণ মন্তব্য ছুপ্ৰিম কৰ্টৰ


## 'মত প্ৰকাশৰ স্বাধীনতা কি বুজাই নাই আৰক্ষীয়ে!'

**নতুন দিল্লী, ৩ মাৰ্চঃ** মত প্ৰকাশৰ স্বাধীনতা সন্দৰ্ভত তীক্ষ্ণ বক্তব্য প্ৰদান কৰিছে উচ্চতম ন্যায়ালয়ে। আদালতে কয় যে সংবিধান কাৰ্যকৰী হোৱাৰ ৭৫ শেষাংশ ৫ পৃষ্ঠাত

### আঠুকঢ়াই গাড়ী চালকক চেঙেলেৰে প্ৰহাৰ

## প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল মহন্তৰ কন্যাৰ ৰণচণ্ডী ৰূপ

**ই-সংবাদ, ৩ মাৰ্চঃ** প্ৰফুল্ল কুমাৰ মহন্তৰ একমাত্ৰ দুহিতাই বিধায়ক আবাসতে চালকক চেঙেলেৰে কোবাই থকাৰ ভিডিঅ' ৫ পৃষ্ঠাত



### বটদ্ৰৱা থান বিবাদ

## পৰিচালনা সমিতিৰ পক্ষত দিলে ৰায়

**ই-সংবাদ, বেৰেজীয়া, ৩ মাৰ্চঃ** বিভিন্ন বিতৰ্কৰ বাবেই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ পবিত্ৰ জন্মভূমি ৪ পৃষ্ঠাত চাওক

প্ৰথম পৃষ্ঠাৰ পৰা...

# সোণোৱালক ধন্যবাদ দি গৌৰৱ গগৈক

চাকৰি লাভ কৰা চাকৰিয়ালসকলক ৰক্ষণাবেক্ষণ দিয়াৰ গুৰুতৰ অভিযোগ আনে গগৈয়ে। হিমন্ত বিশ্ব শৰ্মাই তৰুণ গগৈৰ বাবে প্ৰতিবেদন ৰাজহুৱা কৰা নাছিল বুলি উল্লেখ কৰা মন্তব্যক উভতি ধৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ তালিকাত চাকৰি পোৱাসকলৰ কথা পোহৰলৈ আহিব পাৰে বুলিহে প্ৰতিবেদন ৰাজহুৱা কৰিব খোজা নাছিল বুলি মুখ্যমন্ত্ৰীক আক্ৰমণৰ লক্ষ্য কৰি লয়। শাসক-বিৰোধীক ৰাকেশ পালৰ দিনত চাকৰি লাভ কৰা ৬১০ জন চাকৰিয়ালক চাকৰিৰ পৰা খেদিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ অখিল গগৈয়ে আহ্বান জনায়। যদি তেনে প্ৰস্তাৱ গ্ৰহণ কৰা নহয় তেন্তে বুজিব লাগে যে চৰকাৰে চাকৰিয়ালসকলক ৰক্ষণাবেক্ষণ দিয়া হৈছে। সকলো চাকৰিয়ালক বৰ্খাস্ত কৰিব লাগে। শাসক-বিৰোধীয়ে আজিয়েই সিদ্ধান্ত লওক- কয় অখিল গগৈয়ে। তাৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অখিল গগৈৰ এটা এটা প্ৰশ্নৰ উত্তৰ দি এপিএছচি কেলেংকাৰীত গৌৰৱ গগৈ, অখিল গগৈৰ নাম থকাৰ প্ৰসংগ উল্লেখ কৰি দুয়োজনকে আক্ৰমণৰ লক্ষ্য কৰি লয়। গৌৰৱ গগৈয়ে ৩ লাখ টকাৰ উপহাৰ লোৱা আৰু কমল মেধিৰ জৰিয়তে ৰাকেশ পালৰ পৰা অখিল গগৈয়ে ৩ লাখ টকা লোৱাৰ প্ৰসংগ মুখ্যমন্ত্ৰীৰ মুখত শুনা যায়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সদনত অখিল গগৈক তুলাধুনা দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰতিবেদনত মুখ্যমন্ত্ৰীৰ পুত্ৰই বিয়াত ৰাকেশ পালৰ পৰা তিনি লাখ টকাৰ অলংকাৰ উপহাৰ লৈছিল। আয়কৰ বিভাগলৈ আমি চিঠি লিখিছো। কিন্তু সাংসদজনে ২০ দিনৰ পিছতো স্পষ্টীকৰণ দিয়া নাই। ৰাজপুত্ৰ হোৱাৰ বাবেই বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনক গুৰুত্ব দিয়া নাই। অখিল গগৈয়ে সাংসদজনক ৰক্ষা কৰিবলৈ চেষ্টা কৰিছে। অখিল গগৈয়ে টকা লোৱাৰ কথা আছে। কমল মেধিয়ে অখিল গগৈৰ হৈ টকা লৈছিল। কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈয়ে আজিলৈকে উপহাৰ লোৱাৰ কথা নাকচ কৰা নাই। মানে তেওঁ লৈছিল। কংগ্ৰেছৰ অফিচিয়েল মুখ্য মুখপাত্ৰই কৈছে যে বিয়াত উপহাৰ কোনে কি দিয়ে কেনেকৈ জানিব? কিন্তু আমি ব্যৱস্থা ল'ম। মই কেলেংকাৰীক লৈ ৰাজনীতি কৰা নাই। গৌৰৱ গগৈয়ে এতিয়া বিপ্লৱ কুমাৰ শৰ্মাৰ পিছত লাগিছে। ৰাকেশ পালক নিযুক্তি দিয়াৰ বাবে কংগ্ৰেছ দলে ৰাইজৰ ওচৰত ৰাজহুৱাকৈ ক্ষমা খোজক। মুখ্যমন্ত্ৰীগৰাকীয়ে আৰু কয় যে শৰ্মা আয়োগে ২০১৩ আৰু ২০১৪ ৰহে তদন্ত কৰিছে। তাৰ আগতো এপিএছচিত কেলেংকাৰী হৈছে। তাৰাপ্ৰসাদ দাসৰ দিনত হোৱা অনিয়মৰ কথা আন এক আয়োগৰ প্ৰতিবেদনত আছে। কিন্তু আমি এতিয়া নিকাভাৱে নিযুক্তি দিছো। কংগ্ৰেছৰ দিনত একোজন মন্ত্ৰীৰ চাৰি-পাঁচজন কেণ্ডিডেট আছিল। তৰুণ গগৈ নিজ আত্মপক্ষ ৰাখিবলৈ নাই। তেনে কথা আমি পতা উচিত নহয়। ৰাকেশ পালক চাৰ্চ কমিটীয়ে নিযুক্তি দিয়া নাছিল। তাত কোনে চহী কৰিছিল। আজি তৰুণ গগৈ জীৱিত অৱস্থাত নাই। ৰাকেশ পালে তৰুণ গগৈক ২০০৮ ৰ ৮ ছেপ্টেম্বৰত লগ কৰাত এপিএছচি নিযুক্তি দিলে। পালে দিয়া আবেদনত তৰুণ গগৈয়ে লিখি দিলে 'মে-বি-কনচিডাৰ'। ২০০৯ চনৰ ৩০ ছেপ্টেম্বৰত নিযুক্তিয়েই দিয়া হ'ল সদস্য হিচাপে। আবেদনত উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা বুলি উল্লেখ কৰিছিল। ৰাকেশ পাল নটাৰীহে আছিল। তদন্ত ২০১৩ বা ২০১৪ চনৰে নহয়, ২০০৮ চনৰ পৰা তদন্ত হ'ব লাগে। ৰাকেশ পাল সদস্যৰ পৰা অধ্যক্ষ হোৱাৰ সময়তে নহয়, তাৰ আগতো কেলেংকাৰী হৈছিল। বহুতৰে ঘৰত ইডিৰ অভিযান চলিছিল। ডিব্ৰুগড়ত অংশুমিতা গগৈয়ে এই লৈ এজাহাৰ দাখিল কৰিলে। ফলত সৰ্বানন্দ সোণোৱালৰ দিনত গোচৰৰ তদন্ত কৰা হৈছিল। সোণোৱালে গাপ দিও থ'ব পাৰিলেহেঁতেন। বিজেপি চৰকাৰ থমকি নৰ'ল। সদনে প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক ধন্যবাদ জনাব লাগে। অখিল গগৈয়ে ৰাকেশ পালৰ দিনত চৰকাৰে ব্যৱস্থা নলৈ ৰক্ষণাবেক্ষণ দিয়াৰ অভিযোগ উত্থাপন কৰাত মুখ্যমন্ত্ৰীয়ে উত্তৰত কয় যে আমি বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা লোৱা নাই বুলি কোৱা হৈছে। প্ৰতিবেদনত কোৱা হৈছে সেই কেইজনে এপিএছচিতে নহয়, বেলেগতো চাকৰি পাব পাৰে। মই কাইলৈয়ে দুয়োটা বেটচকে খাৰিজ কৰাৰ এটা অৰ্ডাৰ উলিয়াই দিব পাৰো। কিন্তু হাইক'ৰ্টে আকৌ ৰাখি দিব। সেয়ে কৰা নাই। আমি ৩৯ জন বিষয়াক চাকৰিৰ পৰা বৰ্খাস্ত কৰিছো। ডিপাৰ্টমেণ্টেল প্ৰচিডিং নকৰাকৈ চাকৰিৰ পৰা ডিছমিচ কৰি দিছো। অসমৰ ইতিহাসত এয়া প্ৰথম ঘটনা।

প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটীত বিষাক্ত বতাহ!

জধে-মধে নিৰ্মাণ হৈ থকা গগনচুম্বী অট্টালিকা, কংক্ৰীটৰ ধূলি উৰুৱাই অব্যাহত থকা উৰণ সেঁতুৰ নিৰ্মাণ কাৰ্য আৰু যান-বাহনৰ ক'লা ধোঁৱাই বিষাক্ত কৰি তুলিছে উত্তৰ-পূবৰ হৃদপিণ্ড গুৱাহাটীৰ বতাহ। সোমবাৰে গুৱাহাটীৰ এয়াৰ কুৱালিটী ইনডেক্স (একিউআই) ১০২ত উপনীত হৈছে। উল্লেখ্য যে, ১০০ৰ পৰা ১৫০লৈ বায়ুৰ গুণাগুণক 'বেয়া' বুলি গণ্য কৰা হয়। ইফালে, আজিৰ দিনটোত গুৱাহাটীত পাৰ্টিকুলেট মেটাৰ (পিএম১০)ৰ মাত্ৰা ১১২ মাইক্ৰ'গ্ৰাম/মিটাৰ আৰু পিএম২.৫ৰ মাত্ৰা ৩৫ মাইক্ৰ'গ্ৰাম/মিটাৰে বিশ্ব স্বাস্থ্য সংস্থাৰ নিৰ্ধাৰিত সীমা অতিক্ৰম কৰিছে। লক্ষ্যণীয়ভাৱে আজি চৰম পৰ্যায়ত উপনীত হৈছে গুৱাহাটীৰ ৰে'লৰে কলনীৰ একিউআই। আজি 'অস্বাস্থ্যকৰ' স্তৰত উপনীত হোৱা ৰে'লৰে কলনীৰ একিউআই হৈছে ১৮৮। আনহাতে অঞ্চলটোৰ পিএম১০ ৩২৮ মাইক্ৰ'গ্ৰাম/মিটাৰত উপনীত হৈছে। বিশ্বৰ সৰ্বাধিক প্ৰদূষিত চহৰৰ তালিকাত এতিয়া গুৱাহাটী ৩৪৭ নম্বৰ স্থানত উপনীত হৈছে। একে সময়তে ভাৰতৰ আন বহু উদ্যোগীক চহৰতকৈও এই মুহূৰ্তত আতংকজনকহৈ পৰিছে গুৱাহাটীৰ বতাহ। ৰাজধানী দিল্লীৰ একিউআই আজি ১৩৯, মুম্বাই ১৩৩, কলকাতা ১১০। ৩৪৭ নম্বৰ স্থানত উপনীত হৈছে। একে সময়তে ভাৰতৰ আন বহু উদ্যোগীক চহৰতকৈও এই মুহূৰ্তত আতংকজনকহৈ পৰিছে গুৱাহাটীৰ বতাহ। ৰাজধানী দিল্লীৰ একিউআই আজি ১৩৯, মুম্বাই ১৩৩, কলকাতা ১১০। গুৱাহাটীও ক্ৰমান্বয়ে আগবাঢ়িছে সেই একেই ভয়াবহতাৰ পথেৰে। আনহাতে চেন্নাই (৬০) আৰু বেংগালুৰু (৮৪)ৰ দৰে ঔদ্যোগীক চহৰৰ তুলনাত অধিক বেয়া হৈ পৰা পৰিলক্ষিত হৈছে গুৱাহাটীৰ পৰিস্থিতি। লক্ষ্যণীয়ভাৱে ২০২৫ৰ প্ৰথম তিনিমাহতে গুৱাহাটীৰ বায়ু প্ৰদূষণৰ মাত্ৰাই বিগত পাঁচ বছৰৰ ভিতৰত চৰম পৰ্যায়ত উপনীত হৈছে। ২০২০ চনত গুৱাহাটীৰ বাৰ্ষিক একিউআই আছিল ১১০। ২০২১ত সেয়া ১১৬ লৈ বৃদ্ধি পাইছিল। ২০২৪ত বায়ুৰ গুণাগুণ কিছু নিয়ন্ত্ৰণলৈ আহি একিউআই ১০৫লৈ হ্ৰাস পালেও ২০২৫ৰ প্ৰথম তিনিমাহতে ৫৪ শতাংশ বৃদ্ধিৰে ১৬৪ত উপনীত হৈছে। প্ৰণিধানযোগ্য যে, শেহতীয়াকৈ উন্নয়নৰ নামত গুৱাহাটীত যথে-মধে অব্যাহত আছে নিৰ্মাণকাৰ্য। চৰকাৰ আৰু ব্যক্তিগত প্ৰতিষ্ঠানে নিৰ্মাণ কৰি থকা সুউচ্চ অট্টালিকা, উন্নয়নৰ ঢোল পিটি নিৰ্মাণ কৰি থকা ইখনৰ পিছত সিখন উৰণ সেঁতু আৰু ৰাজপথত বৃদ্ধি পোৱা সীমাহীন যান-বাহনে ফাগুনৰ বতৰত অধিক উদ্বেগজনক কৰি তুলিছে গুৱাহাটীৰ পৰিস্থিতি। এতিয়া কেৱল নামতহে থাকি যোৱা গুৱাহাটী প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডে যেন এই বায়ু প্ৰদূষণে কেতিয়া চৰম সীমা অতিক্ৰম কৰে তালৈকেহে বাট চাই আছে। গুৱাহাটীৰ এই প্ৰদূষণৰ সমান্তৰালভাৱে এতিয়া ভয়াবহ হৈ পৰিছে মহানগৰবাসীৰ জীৱন। হাঁপানী, ব্ৰংকাইটিছ, হাওঁফাওঁৰ সংক্ৰমণৰ প্ৰাদুৰ্ভাৱ প্ৰতিদিনে বৃদ্ধি পাইছে। চিকিৎসকৰ মতে, শিশু আৰু বৃদ্ধসকলৰ বাবে এই পৰিস্থিতি অধিক ভয়াৱহ, কিয়নো তেওঁলোক তুলনামূলকভাৱে প্ৰদূষণৰ প্ৰতি অধিক সংবেদনশীল। একে সময়তে পূৰ্বে গাটো ভালে থাকক বুলি সন্ধিয়া এপাক ঘৰৰ পৰা ফুটপাথেৰে ওলাই অহা বৃদ্ধসকলৰ বাবেও এতিয়া গুৱাহাটীখন হৈ পৰিছে যমৰ নগৰী। উল্লেখ্য যে, এইবাৰ মাঘ মাহৰ লগতে ফাগুন মাহৰ ১৫ দিন যোৱাৰ পিছতো ৰাজ্যৰ বাকী প্ৰান্তৰ তুলনাত গুৱাহাটীত মহানগৰীত বৰষুণৰ পৰিমাণ তেনেই সামান্য হোৱা বাবে বায়ুমণ্ডলত ধূলিৰ পৰিমাণ যথেষ্ট বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এপিএছচিৰ তদন্তৰ নামত প্ৰহসন!

কিমানে চাকৰি হেৰুৱালে সেই চাঞ্চল্যকৰ তথ্য দাঙি ধৰাত এপিএছচিৰ কেলেংকাৰী গালো বালো খোলাকতিৰ তাল হৈ পৰে। অখিল গগৈয়ে সদনত দাঙি ধৰা তথ্য মতে, ৰাকেশ পাল অধ্যক্ষ হৈ থকাৰ সময়ত বক্ৰ পথেৰে চাকৰি পোৱা এজনো চাকৰিয়ালক আজিলৈ চাকৰিৰ পৰা খেদিব পৰা নাই হিমন্ত বিশ্ব শৰ্মা চৰকাৰে। অখিল গগৈয়ে সদনত দাখিল কৰা তথ্য মতে, ৰাকেশ পাল অধ্যক্ষ হোৱাৰ পিছতে ২০১৩ চনত সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা যোগে চাকৰি দিছিল ২৪১ জনক। ২০১৪ চনত সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা যোগে চাকৰি দিছিল ১৮০ জনক। বাকী অন্য পদত চাকৰি দিছিল ২১০ জনক। ৰাকেশ পালৰ দিনত মুঠ ৬৩১ জনক চাকৰি দিছিল। এই চাকৰিয়ালসকল এতিয়া সৰু-সুৰা পদবীত নাই। জিলা আয়ুক্ত, আৰক্ষী অধীক্ষক, অতিৰিক্ত আৰক্ষী অধীক্ষক, অতিৰিক্ত উপায়ুক্ত, কটন কলেজত প্ৰফেচাৰ হৈছে, কৃষি বিশ্ববিদ্যালয়ৰ প্ৰফেচাৰ হৈছে। এনেধৰণৰ হাই লেভেলৰ মানুহ। ২০১৩ চনৰ ৪৩ জন চাকৰিয়াল গ্ৰেপ্তাৰ হৈছে। চাকৰিৰ পৰা নিলম্বন হৈছিল ১৯ জন। ১৯ জনৰ চাকৰি বৰ্খাস্তত স্থগিতাদেশ দিছে ন্যায়ালয়ে। ২৪১ জনৰ ভিতৰত ৭৫ জনৰ বিৰুদ্ধেহে এতিয়ালৈকে চাৰ্জশ্বিট দিয়া হৈছে। ২০১৪ চনত গ্ৰেপ্তাৰ হৈছে ২২ জন। ২০১৪ চনত চাকৰি পাইছিল ১৮০ জনে। উল্লেখ্য যে ৯ দিনৰ বিৰতিৰ অন্তত আজি পুনৰ অনুষ্ঠিত বাজেট অধিৱেশন এপিএছচিৰ কেলেংকাৰীক লৈ সদন পুনৰ উত্তাল হয়। সদনত অখিল গগৈয়ে ৰাকেশ পালৰ দিনত ২০১৩ চন আৰু ২০১৪ চনত নিযুক্তি পোৱা সকলো চাকৰিয়ালক চাকৰিৰ পৰা খেদাৰ বাবে শাসক-বিৰোধীয়ে মিলি প্ৰস্তাৱ লোৱাৰ আহ্বান জনোৱাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। অখিল গগৈয়ে এপিএছচি কেলেংকাৰীৰ বাবে গঠিত শৰ্মা আয়োগৰ প্ৰতিবেদন তৰুণ গগৈৰ বাবে বিধানসভাত দাখিল কৰিব খোজা নাছিল বুলি মুখ্যমন্ত্ৰীয়ে কৈছিল। অখিল গগৈয়ে মুখ্যমন্ত্ৰীৰ সেই মন্তব্যক উভতি ধৰি কয় যে আপুনি ইচ্ছাকৃতভাৱে প্ৰতিবেদন দাখিল কৰিব খোজা নাছিল। আপুনি তৰুণ গগৈৰ বাবে নহয় আপুনি যিখিনি তালিকা দিছিল সেইখিনি ওলাই যাব বুলিহে প্ৰতিবেদন দিয়া নাছিল। অখিল গগৈয়ে এপিএছচি কেলেংকাৰীক লৈ চৰকাৰক আক্ৰমণ কৰি প্ৰায় ১১ মিনিট বক্তব্য ৰখাৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অখিল গগৈৰ আহ্বানৰ বিপৰীতে ৰাকেশ পালৰ দিনত চাকৰি পোৱাসকলক একপ্ৰকাৰ চাকৰিৰ পৰা বৰ্খাস্ত কৰাটো সম্ভৱ নহয় বুলিয়েই কয়। মুখ্যমন্ত্ৰীয়ে কয় যে মই কাইলৈ দুয়োটা বেটচক খাৰিজ কৰাৰ এটা অৰ্ডাৰ উলিয়াই দিব পাৰো। কিন্তু হাইক'ৰ্টে আকৌ ৰাখি দিব। সেয়ে কৰা নাই। আমি ৩৯ জন বিষয়াক চাকৰিৰ পৰা বৰ্খাস্ত কৰিছো। ডিপাৰ্টমেণ্টেল প্ৰচিডিং নকৰাকৈ চাকৰিৰ পৰা ডিছমিচ কৰি দিছো। অসমৰ ইতিহাসত এয়া প্ৰথম ঘটনা। এজন ব্যক্তিয়েও পুনৰ চাকৰিত যোগদান কৰা নাই। আমি কাকো পুনৰ চাকৰি নিদিওঁ বুলি কয়। কিন্তু আজি অখিল গগৈৰ মন্তব্যই এপিএছচি কেলেংকাৰীৰ কেইবাটাও দিশ পোহৰলৈ আনে। ন্যায়ালয়ৰ ৰায়ৰ ভিত্তিত অখিল গগৈয়ে গুৰুত্বপূৰ্ণ তথ্য আদালতত উত্থাপন কৰে। ৰাকেশ পালৰ দিনত কিমানে চাকৰি পাইছিল, কিমানে চাকৰি হেৰুৱালে সেই কথা সদনত উত্থাপন কৰে। গগৈয়ে কয় যে এপিএছচিৰ দুৰ্নীতি-কেলেংকাৰী বিচাৰি মই দুবাৰ জেললৈ গৈছো। তিনিমাহ জেলত কটাইছো। ২০১৫ চনৰ জুন আৰু আগষ্টত দুবাৰকৈ জেলত গৈছো। ২০১৭ চনৰ ১৭ জুলাইত মই এখন পিআইএল কৰিছিলো। ১৫ অক্টোবৰত ৰায় দি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশে তদন্ত ঘোষণা কৰিছিল। মই দিয়া পিআইএলৰ ফলতে পৰীক্ষাৰ বহীবিলাক সংৰক্ষণ কৰিবলৈ দিয়াত গোটেই তদন্ত কৰিবলৈ সম্ভৱপৰ হৈছিল। এইটো সৰু-সুৰা কেলেংকাৰী নহয়। সমগ্ৰ ব্যৱস্থাটো ভাঙি পেলোৱাৰ কেলেংকাৰী। আমাৰ অসমৰ ইতিহাসৰ আটাইতকৈ ডাঙৰ কেলেংকাৰীটোৰ নাম হৈছে এপিএছচি কেলেংকাৰী। এপিএছচিত এনেধৰণৰ মাফিয়াৰাজ হৈছিল যে কোনজন মানুহে গণ্ডগোল কৰিছিল, কোনজন মানুহক জেল দিব লাগে সেইটো ডাঙৰ কথা নহয় গোটেই ব্যৱস্থাটোৰে ধ্বংস কৰিব বিচৰা হৈছিল। এই নিযুক্তিৰ দ্বাৰা যিবিলাক মানুহে চাকৰি পাইছিল সেই সকলোৰো চাকৰি নাকচ কৰি দিয়া উচিত। বিধানসভাত আমি এটাত উপনীত হ'ব লাগে যে ২০১৩ আৰু ২০১৪ চনত এপিএছচিত চাকৰি পোৱাসকলৰ চাকৰি বাতিল কৰা হ'ব নে নহয়। বিৰোধীয়ে বিধানসভাত যিবোৰ লম্ফ-জম্ফ কৰিছে তাৰ কোনো মূল্য নাই। আজিৰ লাগে যে ৰাকেশ পালৰ দিনত যিমানবোৰে চাকৰি পাইছিল সকলো চাকৰি নাকচ কৰাহওক। অখিল গগৈয়ে সদনত উদাত্তে কণ্ঠে আৰু কয় যে এতিয়া এপিএছচি কেলেংকাৰীৰ তদন্তত এতিয়া কেলেংকাৰী হৈছে। কেলেংকাৰীৰ তদন্তত যিসকলক দোষী সাব্যস্ত কৰিলে সেইসকলক চাকৰিৰ পৰা খেদিব লাগে বুলি কৈছে তেওঁলোকক নেখেদি ৰক্ষণাবেক্ষণ দিয়াটো এটা ডাঙৰ কেলেংকাৰী। ১৯ ফেব্ৰুৱাৰীত প্ৰিয়ংকা দাস নাম এগৰাকী ছোৱালীয়ে আদালতত কেচ দি কৈছিল যে মোক কিয় চাকৰিৰ পৰা খেদিব? এজনীয়া বিচাৰপীঠে কৈ দিলে যে চাকৰিৰ পৰা খেদিব নোৱাৰে। গোচৰৰ চৰকাৰী পক্ষৰ পৰা পাঁচবাৰকৈ শপতনাম বিচাৰিছিল যদিও চৰকাৰে পৰ্যাপ্ত সময়ত শপতনামা দাখিল নকৰিলে। যদি এই চাকৰিবোৰত মুখ্যমন্ত্ৰীৰ নাম নাই তেন্তে বি.কে শৰ্মা আয়োগৰ ৰিপৰ্ট অনুসৰি দুটা সিদ্ধান্ত হ'ব লাগে এটা হৈছে চিবিআইৰ দ্বাৰা তদন্ত দিব লাগে। মোৰ লগতে মোৰ বন্ধু এজনৰ কথা ৰিপৰ্টত উল্লেখ আছে সেয়েহে মোৰ ওপৰতো চিবিআই তদন্ত দিব লাগে। দ্বিতীয়তে শৰ্মা আয়োগৰ ৰিপৰ্ট অনুসৰি সেই সময়ত যিখিনি মানুহে চাকৰি পাইছিল সেইখিনি মানুহৰ চাকৰিক পৰা খেদাৰ ব্যৱস্থা কৰিব লাগে। যদি নকৰে তেন্তে আমি জানিম যে তাত মুখ্যমন্ত্ৰীৰ মানুহ আছে। লগে লগে মুখ্যমন্ত্ৰী আসনৰ পৰা থিয় হৈ উত্তৰ দি কয় যে যদি যদি মানে। যদি আমাৰে নাম কৈ দিয়ে। কিয়নো এই কেছটো ধৰিলো আমি বিজেপিয়ে। আপোনালোকে যদি পুলিচকে চোৰ বুলি কৈ দিয়ে, তেন্তে পুলিচে ক'ব চোৰ হৈ থকাই ভাল। আমিয়েই ধৰিলো কেছটো। এতিয়া আকৌ কৈ আছে যদি আমাৰ কোনো চিনাকি মানুহ নাই। যদি মোৰ চিনাকি মানুহ থাকিলেহেঁতেন তেন্তে প্ৰথমতে কেছটো নকৰিলোহেঁতেন। পুনৰ অখিল গগৈয়ে মুখ্যমন্ত্ৰী ড০ শৰ্মাক উত্তৰ দি কয় যে পুলিচে যদি চোৰ হয় তেতিয়া অসুবিধা আছে। পুনৰ মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে ভৱিষ্যতে যদি কোনো দুৰ্নীতিপৰায়ণ বিষয়াক গ্ৰেপ্তাৰ কৰো তেন্তে আপোনালোকে ক'ব যে চাব দেই বিষয়াৰ লগত আপোনালোকৰ সম্পৰ্ক আছে। বিধানসভাত শাসক-বিৰোধীয়ে এটা প্ৰস্তাৱ ল'ব

# মাজুলীত বিশ্ব শ্ৰৱণ দিৱস পালন, সজাগতা ৰেলী

**ই-সংবাদ, মাজুলী, ৩ মাৰ্চঃ** বিশ্ব শ্ৰৱণ দিৱৰ লগত সংগতি ৰাখি আজি সমগ্ৰ বিশ্বৰ লগতে মাজুলী জিলাতো জিলা স্বাস্থ্য বিভাগৰ দ্বাৰা কমলাবাৰী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত বিশ্ব শ্ৰৱণ দিৱস পালন কৰা হয়। জিলা সাংবাদিক বিষয়া ভৱানী গায়নে আৰম্ভ ধৰা সজাগতামূলক সভা খনিত সভাপতিত্ব কৰে ভাৰপ্ৰাপ্ত যুটীয়া সঞ্চালক ডাঃ বিমল চন্দ্ৰ পেগুৱে। ভাষণ প্ৰসংগত তেওঁ কয় যে পঞ্চ ইন্দ্ৰিয়ৰ এক গুৰুত্বপূৰ্ণ অংগ হ'ল কাণ। উচ্চ প্ৰাবল্য শব্দই কেতিয়াবা কাণত আঘাত কৰি ব্যক্তি জনৰ শ্ৰৱণ ক্ষমতা হ্ৰাস কৰিব পাৰে। সেয়ে আমি সদায়ে কাণৰ যতন লোৱা উচিত। ইয়াৰ পিছতেই কমলাবাৰী সামূহিক স্বাস্থ্য কেন্দ্ৰৰ অধীক্ষক ডাঃ জয়ন্ত বৰাই শিশুৱে কাণেৰে নুশুনিলে কথাও ক'বলৈ এৰে। ইয়াৰ ফলত শিশুজন মুক-বধিৰো হ'বগৈ পাৰে। সভাত ই এন টি বিশেষজ্ঞ ডাঃ ৰম্য পেগুৱে কয় যে শ্ৰৱণ বাধিতাৰ ফলত এজন ব্যক্তিয়ে ভৱিষ্যতে জীৱন-যাপন কৰা তথা সংস্থাপন লাভ কৰাত সমস্যাৰ সন্মুখীন হয়। শ্ৰৱণ বাধিতা জন্মগত,বাৰ্ধক্য জনিত আৰু অন্যান্য কাৰণত হ'ব পাৰে। আমি শিশু সকলৰ সৰু অৱস্থাতেই শ্ৰৱণ ক্ষমতাৰ পৰীক্ষা কৰোৱা উচিত বুলি মন্তব্য কৰে।সভাত মিত্ৰজ্যোতি কোৰঁৱে চুপাৰভাইজাৰ সকলক তেওঁলোকৰ কাষৰীয়া অঞ্চলত কোনো শ্ৰৱণ বধিৰ লোক আছেনেকি চিনাক্ত কৰি জিলা চিকিৎসালয়ৰ অপিডিলৈ পঠিওৱাৰ বাবে পৰামৰ্শ প্ৰদান কৰে। সভাৰ শেষত এটি সজাগতামূলক ৰেলীৰে আৰু প্ৰচাৰ পত্ৰিকা বিতৰণৰ দ্বাৰা ৰাইজৰ মাজত শ্ৰৱণৰ সম্পৰ্কত সজাগতা প্ৰদান কৰে। সভাত অদিওমেটিক টেগনিছিয়ান, আশা, চুপাৰভাইজাৰ কৰ্মীসকল উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্ত বিশ্বৰ চৰকাৰৰ দিনত ২৯৩টা

কৰিবলৈ উপৰ্যুপৰি ব্যৰ্থ হোৱাৰ সময়তে বিধানসভাৰ মজিয়াত পোহৰলৈ আহিছে ৰাজ্যৰ গৃহ বিভাগৰ স্বৰূপ। হিমন্ত বিশ্ব শৰ্মাই শপত লোৱাৰ পাছৰে পৰা ৰাজ্যত সংঘটিত হৈছে ২৯৩ টা ভুৱা এনকাউন্টাৰৰ ঘটনা। ৰাইজৰ দলৰ বিধায়ক অখিল গগৈৰ এটা প্ৰশ্নৰ উত্তৰত পোহৰলৈ আহিছে এই কথা। বিধানসভা চৌহদত সংবাদ মাধ্যমৰ সন্মুখত বক্তব্য ৰাখি শিৱসাগৰ সমষ্টিৰ বিধায়কগৰাকীয়ে বিধানসভাত গৃহ বিভাগৰ উত্তৰৰ উদ্ধৃতিৰে কয় যে হিমন্ত বিশ্ব শৰ্মাৰ দিনত ২৮ জন অভিযুক্তক আৰক্ষীৰ জিম্মাত হত্যা কৰিছে চৰকাৰে। ৩৪ জন অভিযুক্তক আৰক্ষীৰ জিম্মাত লোৱাৰ পূৰ্বেই হত্যা কৰা হৈছে। অৰ্থাত্ হিমন্ত বিশ্ব শৰ্মাৰ দিনত সৰ্বমুঠ ৭২ জনক গুলীয়াই হত্যা কৰা হৈছে। গৃহ বিভাগৰ তথ্যৰ উদ্ধৃতি প্ৰদান কৰি অখিল গগৈয়ে লগতে কয়, এই সময়ছোৱাত ২২১ জন লোক ভুৱা এনকাউণ্টাৰত আঘাতপ্ৰাপ্ত হৈছে। সৰ্বমুঠ ২০২১ চনৰ পৰা ২৯৩ জন ব্যক্তি ভুৱা এনকাউন্টাৰৰ গোচৰত হয় মৃত্যু হৈছে নহয় আঘাতপ্ৰাপ্ত হৈছে। মন কৰিবলগীয়া যে হিমন্ত বিশ্ব শৰ্মাৰ দিনত অসম আৰক্ষীৰ দ্বাৰা ভুৱা এনকাউন্টাৰ যে সংঘটিত হৈছিল সেয়া অসম মানৱাধিকাৰ আয়োগে উচ্চতম ন্যায়ালয়ত চলি থকা ভুৱা এনকাউন্টাৰৰ গোচৰত ৭ জানুৱাৰীত দাখিল কৰা শপতনামাৰ পৰাই স্পষ্ট হৈ পৰিছিল। ১৩ পৃষ্ঠাৰ শপতনামাখনৰ মতে, ২০২১ চনৰ মে' ৰ পৰা অসম মানৱ অধিকাৰ আয়োগে আৰক্ষীৰ দ্বাৰা সংঘটিত হোৱা ৩৬ টা এনকাউন্টাৰৰ গোচৰৰ অভিযোগ লাভ কৰিছিল। আনফালে উচ্চতম ন্যায়ালয়ত বিচাৰাধীন হৈ আছে ১৭১টা এনে ভুৱা এনকাউন্টাৰ গোচৰ। অধিবক্তা আৰিফ জোৱাদ্দাৰে দাখিল কৰা ৰাজহুৱা স্বাৰ্থজড়িত আৱেদনখনত উল্লেখ কৰা মতে ২০২১ চনৰ ১ মে' মাহৰ পৰা ২০২২ চনৰ ৩১ আগষ্টলৈ ৰাজ্যত ১৭১ টা ভুৱা এনকাউন্টাৰৰ ঘটনা সংঘটিত হৈছিল। এই গোচৰতেই যোৱা ২২ অক্টোবৰত উচ্চতম ন্যায়ালয়ে অসম চৰকাৰ আৰু অসম মানৱ অধিকাৰ আয়োগক অসম আৰক্ষীৰ দ্বাৰা সংঘটিত হোৱা এনকাউন্টাৰ সন্দৰ্ভত শপতনামা দাখিল কৰাৰ নিৰ্দেশ দিছিল। এই সন্দৰ্ভত মানৱ অধিকাৰ আয়োগে শপতনামা দাখিল কৰিছে যদিও আজি পৰ্যন্ত শপতনামা দাখিল কৰাত ব্যৰ্থ হ'ল অসম চৰকাৰ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পৰিচালনা সমিতিৰ পক্ষত দিলে ৰায়

শ্ৰীশ্ৰী বটদ্ৰৱা থান পৰিচালনা সমিতিৰ আভ্যন্তৰীণ বিবাদ আদালতৰ মজিয়া পালেগৈ যদিও অৱশেষত ন্যায়ালয়ে পুনৰ থান পৰিচালনা সমিতিৰ সপক্ষে ৰায়দান কৰাত উৎফুল্ল হৈ পৰিছে থান পৰিচালনা সমিতিৰ লগতে গুৰুজনাৰ একান্ত সেৱক তথা ভকত-বৈষ্ণৱসকল। জানিব পৰা মতে, থান পৰিচালনা সমিতিৰ সংবিধান অনুসৰি তিনিবছৰৰ মূৰে মূৰে সমিতিৰ সাধাৰণ সভাত নতুন সমিতি গঠন হয়। এই তিনিবছৰীয়া কাৰ্যকালৰ ভিতৰত বছৰৰ মূৰত বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত হয়। সেই অনুসৰি বিগত ২০২৪ বৰ্ষৰ ৯ জুনত দ্বিতীয় বাৰ্ষিক সাধাৰণ সভা বটদ্ৰৱা আই খেৰসুতি প্ৰকল্পত পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি প্ৰভাত কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হয়। আৰম্ভণিতে সভাখন ঠিকেই চলিছিল যদিও এটা সময়ত একাংশ সদস্যই বিশৃংখল পৰিস্থিতিৰ সৃষ্টি কৰি বলপূৰ্বক এখন ২১ জনীয়া তদৰ্থ সমিতি অসংবিধানিকভাৱে গঠন কৰি থানৰ কাম-কাজ আৰম্ভ কৰে। ইয়াৰ পিছতে বটদ্ৰৱা থান পৰিচালনা সমিতিয়ে অসাংবিধানিক তদৰ্থ সমিতিখনৰ বিৰুদ্ধে আদালতৰ কাষ চাপে। আদালতে বিগত বৰ্ষৰ ২১ জুনত এক ৰায় যোগে গণতান্ত্ৰিকভাৱে নিৰ্বাচিত থান পৰিচালনা সমিতিক ২০২৫ চনৰ মে' মাহলৈকে থান পৰিচালনা কৰিবলৈ দায়িত্ব অৰ্পণ কৰাৰ লগতে অসাংবিধানিক তদৰ্থ সমিতিখন ভংগ কৰি দিয়ে। পিছে তদৰ্থ সমিতিখনে স্থিতাৱস্থা বিচাৰি আদালতৰ কাষ চপাত আদালতে তদৰ্থ সমিতিখনৰ সপক্ষে ৰায় দিয়াত তদৰ্থ সমিতিখনে পুনৰ থান পৰিচালনা কৰে যদিও বিগত বৰ্ষৰ ২৩ ছেপ্টেম্বৰত আদালতে শ্ৰীশ্ৰী শলগুৰি সত্ৰৰ সত্ৰাধিকাৰ যোগেন্দ্ৰ নাৰায়ণ দেৱমহন্ত নেতৃত্বাধীন সমিতিখনক থান পৰিচালনা কৰিবলৈ পুনৰ ৰায় প্ৰদান কৰাত এই সমিতিখনে বৰ্তমান পৰ্যন্ত থানৰ কাৰ্য পৰিচালনা কৰি আছে।

ইফালে, আজি নগাঁও আদালতে বিৰাজমণি বৰদলৈক সভাপতি আৰু শৈলেন শইকীয়া নেতৃত্বাধীন তদৰ্থ সমিতিৰ গোচৰটো খাৰিজ কৰে। ফলত তদৰ্থ সমিতিখনে ২৩ ছেপ্টেম্বৰৰ আদালতৰ ৰায়ৰ স্থগিতাদেশ বিচাৰি পুনৰ জনোৱা আবেদনৰ বিষয়ত তদৰ্থ সমিতিখনে আদালতত মুখ থেকেচা খাব লগা হোৱাৰ বিপৰীতে গণতান্ত্ৰিকভাৱে নিৰ্বাচিত থান পৰিচালনা সমিতিৰ স্থিতাৱস্থা বাহাল থাকিল। উল্লেখ্য যে বটদ্ৰৱাৰ দুখন সত্ৰৰ সত্ৰাধিকাৰ দুজনৰ এজন এটা কাৰ্যকালৰ সভাপতি হোৱাৰ পিছত আনটো কাৰ্যকালৰ বাবে আনজন সত্ৰাধিকাৰ সভাপতি হয়। কিন্তু উক্ত তদৰ্থ সমিতিখনৰ সভাপতিজন কোনো সত্ৰৰ সত্ৰাধিকাৰৰ দায়িত্বত নাই। আনকি সংবিধান অনুসৰি বটদ্ৰৱা থান পৰিচালনা সমিতিত তদৰ্থ সমিতিৰ কোনো ব্যৱস্থাই নাই । সি যি নহওক, ন্যায়ালয়ৰ এনে পদক্ষেপৰ পিছত এতিয়া থান পৰিচালনা সমিতিৰ সভাপতি যোগেন্দ্ৰ নাৰায়ণ দেৱমহন্ত, কাৰ্যকৰী সভাপতি প্ৰভাত কলিতা, সাধাৰণ সম্পাদক টিকেন্দ্ৰজিৎ দেৱগোস্বামী, কাৰ্যনিৰ্বাহক সদস্য কল্যাণ কলিতাকে প্ৰমুখ্য কৰি সকলো বিষয়ববীয়াই বটদ্ৰৱা থানৰ গৰিমা আৰু মৰ্যাদা অটুট ৰাখি অনাগত সময়ছোৱাত সুকলমে থান পৰিচালনা কৰাৰ লগতে ১৩ মাৰ্চৰ পৰা ১৭ মাৰ্চলৈ অনুষ্ঠিত হ'বলগীয়া দৌলযাত্ৰা মহোৎসৱ নিয়াৰিকৈ অনুষ্ঠিত কৰিবলৈ ৰাইজৰ সহযোগিতা কামনা কৰিছে।

# ২৮ লাখ ৩০ হাজাৰ ৮৬৩টা পৰিয়ালৰ ঘৰত লগোৱা হৈছে স্মাৰ্ট মিটাৰ, বিধানসভাত ক'লে মন্ত্ৰী প্ৰশান্ত ফুকনে

**ই-সংবাদ, গুৱাহাটী, ৩ মাৰ্চঃ** স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে এইবাৰ সৰৱ হৈ পৰিল কংগ্ৰেছ বিধায়িকা নন্দিতা দাস। বিধানসভাত স্মাৰ্ট মিটাৰ সন্দৰ্ভত আজি তীৰ্যক প্ৰতিক্ৰিয়া ব্যক্ত কৰে বিধায়িকাগৰাকীয়ে। আদানি-আম্বানীৰ দৰে পুঁজিপতিক ধনী কৰিবলৈকে চৰকাৰে ঘৰে ঘৰে স্মাৰ্ট মিটাৰ স্থাপন কৰিছে বুলি বিস্ফোৰক অভিযোগ কৰে নন্দিতা দাসে। উল্লেখ্য যে, আজি বিধানসভাৰ প্ৰশ্নোত্তৰকালত ৰাজ্যত কিমান স্মাৰ্টমিটাৰ স্থাপন কৰা হৈছে সেই সন্দৰ্ভত বকোৰ বিধায়িকাগৰাকীয়ে কৰা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী প্ৰশান্ত ফুকনে জানিবলৈ দিয়ে যে বৰ্তমান ৰাজ্যৰ ঘৰুৱা শ্ৰেণীৰ গ্ৰাহকৰ বিপৰীতে স্থাপন কৰা হৈছে ২৮ লাখ ৩০ হাজাৰ ৮৬৩টা স্মাৰ্ট মিটাৰ। অন্যহাতে বাণিজ্যিক গ্ৰাহকৰ বিপৰীতে ১ লাখ ৯৮ হাজাৰ ২৪৯ টা আৰু চৰকাৰী কাৰ্যালয়ত ২৭ হাজাৰ ৪৪৯টা স্মাৰ্ট মিটাৰ স্থাপন কৰা হৈছে বুলি জানিবলৈ দিয়ে বিভাগীয় মন্ত্ৰী প্ৰশান্ত ফুকনে। মন্ত্ৰীৰ এই প্ৰশ্নৰ পিছতে বিধানসভা চৌহদত সাংবাদিকৰ সন্মুখত স্মাৰ্ট মিটাৰক লৈ সৰৱ হৈ পৰে বিধায়িকা নন্দিতা দাস। বিজেপিৰে বিধায়কে স্মাৰ্ট মিটাৰৰ বিৰোধিতা কৰিছে বুলি কৈ বিৰোধী বিধায়িকাগৰাকীয়ে চৰকাৰী কাৰ্যালয়ত স্মাৰ্ট মিটাৰ স্থাপনৰ দাবী জনায়। তেওঁ অভিযোগ উত্থাপন কৰি কয় যে গৌতম আদানি, আম্বানীৰ দৰে লোকক ধনী কৰিবলৈকে চৰকাৰে স্মাৰ্ট মিটাৰ স্থাপন কৰিছে। বিধায়িকাগৰাকীয়ে কয়, "স্মাৰ্ট মিটাৰ কোনোৱে নিবিচাৰে। আনকি বিজেপিৰ বিধায়কেও ইয়াৰ বিৰোধিতা কৰা আমি দেখিবলৈ পাইছো। আগৰ মিটাৰ ভাল আছিল। এতিয়া পইচা নভৰালেই বিদ্যুৎ সংযোগ কাটি দিয়ে। এতিয়া ল'ৰা-ছোৱালীৰ পৰীক্ষা চলি আছে। এই সময়ত পইচা নথকাবাবে বিদ্যুৎ কাটি দিলে তেওঁলোকে কিদৰে পঢ়িব?" বকো সমষ্টিৰ বিধায়িকা নন্দিতা দাসে ঘৰুৱা পৰ্যায়ৰ বিপৰীতে চৰকাৰী কাৰ্যালয়ত স্মাৰ্ট মিটাৰ স্থাপন কৰাৰ দাবী জনায়। এনেদৰে আজি স্মাৰ্ট মিটাৰ প্ৰসংগক লৈ উত্তাল হৈ পৰে বিধানসভাৰ অধিৱেশন।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মত প্ৰকাশৰ স্বাধীনতা কি বুজাই নাই

বছৰৰ পাছতো আৰক্ষীয়ে মত প্ৰকাশৰ স্বাধীনতা কি সেয়া বুজিবলৈ বাকী ৰৈছে। কংগ্ৰেছৰ সাংসদ ইমৰান প্ৰতাপগড়ীৰ বিৰুদ্ধে দাখিল কৰা এফআইআৰ বাতিল কৰিব বিচৰা আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ে ৰায় সংৰক্ষিত ৰাখে। সোমবাৰে ন্যায়াধীশ অভয় এছ ওকা আৰু উজ্জ্বল ভূঞাৰ বিচাৰপীঠে স্পষ্ট কৰি দিয়ে যে সংবিধানৰ ১৯(১)(ক) অনুচ্ছেদৰ অধীনত মত প্ৰকাশৰ স্বাধীনতা ৰক্ষা কৰাটো অতি প্ৰয়োজনীয়। ন্যায়াধীশ ওকাই কয় যে মত প্ৰকাশৰ স্বাধীনতা ৰক্ষা কৰিব লাগিব। এই সন্দৰ্ভত আৰক্ষী অধিক সংবেদনশীল হোৱাটো প্ৰয়োজন। অন্ততঃ এতিয়া সংবিধানৰ ৭৫ বছৰৰ পাছত বুজিবলৈ চেষ্টা কৰা উচিত। আদালতে কয় যে প্ৰতাপগড়ীয়ে শ্বেয়াৰ কৰা গীতটো আচলতে কবিতা আৰু ই অহিংসাৰ বাৰ্তাহে দিছিল। দৰাচলতে গুজৰাটৰ জামনগৰত অনুষ্ঠিত এক গণ বিবাহ অনুষ্ঠানত অংশগ্ৰহণ কৰিছিল প্ৰতাপগড়ীয়ে। তাত তেওঁৰ বিৰুদ্ধে এটা গীত শ্বেয়াৰ কৰাৰ অভিযোগ উঠিছিল আৰু ৩ জানুৱাৰীত তেওঁৰ বিৰুদ্ধে এফআইআৰ দাখিল কৰা হৈছিল। গুজৰাট আৰক্ষীৰ হৈ হাজিৰ হোৱা ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই আদালতত কয় যে এয়া এজন প্ৰখ্যাত কবিৰ লেখা নহয়, বৰঞ্চ নিম্নমানৰ কবিতাহে, যাৰ ফলত জনসাধাৰণৰ মাজত উত্তেজনাৰ সৃষ্টি হৈছে। ইফালে, প্ৰতাপগড়ীক প্ৰতিনিধিত্ব কৰি অধিবক্তা কপিল ছিবালে কয় যে এই ভিডিঅ'টো সাংসদগৰাকীয়ে শ্বেয়াৰ কৰা নাছিল, বৰং তেওঁৰ টীমেহে শ্বেয়াৰ কৰিছিল। কিন্তু গুজৰাট আৰক্ষীয়ে দাবী কৰে যে যিহেতু ভিডিঅ'টো প্ৰতাপগড়ীৰ অফিচিয়েল ছ'চিয়েল মিডিয়া একাউণ্টৰ পৰা পোষ্ট কৰা হৈছে, সেয়েহে তেওঁও দায়বদ্ধতাৰ পৰা হাত সাৰিব নোৱাৰে। উচ্চতম ন্যায়ালয়ে শুনানি সম্পূৰ্ণ হোৱাৰ লগতে ৰায় সংৰক্ষিত বুলি ঘোষণা কৰিছে। উল্লেখ্য যে কংগ্ৰেছৰ সংখ্যালঘু কোষৰ সভাপতি প্ৰতাপগড়ীৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ ১৯৬ আৰু ১৯৭ ধাৰাত গোচৰ ৰুজু কৰা হৈছে। ৪৬ ছেকেণ্ডৰ এটা ভিডিঅ'ত প্ৰতাপগড়ীক সিঁচৰতি হৈ থকা ফুলৰ পাহিৰ মাজত খোজকাঢ়ি থকা দেখা গৈছে। সেই ভিডিঅ'টোত বেকগ্ৰাউণ্ডত বাজি থকা গীতে সাম্প্ৰদায়িক সংঘাতত উচটনি দিয়া আৰু জাতীয় ঐক্যৰ বিৰোধী বুলি অভিযোগ উত্থাপন হৈছে। কিন্তু প্ৰতাপগড়ীয়ে দাবী কৰিছে যে এই কবিতাৰ মূল বাৰ্তা হৈছে প্ৰেম আৰু অহিংসা। এয়া কোনো উচটনিমূলক বাৰ্তা নহয়। বৰঞ্চ ৰাজনৈতিক কাৰণত তেওঁৰ বিৰুদ্ধে ষড়যন্ত্ৰ ৰচাৰ প্ৰয়াস কৰা হৈছে বুলিও অভিযোগ কৰে প্ৰতাপগড়ীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল মহন্তৰ কন্যাৰ

পোহৰলৈ অহাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। এই ঘটনা প্ৰফুল্ল কুমাৰ মহন্তৰ আৱাসত সংঘটিত হৈছে। ভিডিঅ'ত প্ৰত্যক্ষ কৰা মতে, আৱাসৰ বাহিৰত কেইজনমান কৰ্মচাৰী একান্ত বাধ্য ছাত্ৰৰ দৰে থিয় হৈ থকাৰ লগতে এজন কৰ্মচাৰীক আঁঠুকাঢ়াই বাৰে বাৰে চেণ্ডেলেৰে প্ৰহাৰ কৰে কন্যাই। এই ঘটনা পোহৰলৈ অহাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। ৫০ ছেকেণ্ডৰ ভিডিঅ'টোত শুনা গৈছে যে এতিয়া কি হ'ল। তই যেতিয়ালৈকে মোক নকও, কোনে কৈছিল, কি কাৰণত কৈছিলি, কোনো ড্ৰাইভাৰ মোৰ ঘৰত নোসোমাবি। বুজিছ, বহুত হৈ গ'ল। তেনেকৈ চিঞৰি চিঞৰি কৈ চেণ্ডেলেৰে প্ৰহাৰ কৰাৰ সময়ত কাষতে থিয় হৈ আছিল প্ৰজ্ঞয়িতা কাশ্যপৰ জ্যেষ্ঠ ভাতৃ শ্যামন্ত কাশ্যপ। কিন্তু ভিডিঅ'টোত শুনা কথাখিনি আৰু পিছত প্ৰজ্ঞয়িতা কাশ্যপে দিয়া ভাষ্যৰ অকণো মিল কৰে। আন কৰ্মচাৰীসকলেও তেওঁক বুজাইছিল। দিনক দিনে তেওঁৰ ব্যৱহাৰ বেয়াহে হৈ গৈ আছিল। শেষত তেওঁ ঘৰৰ ভিতৰলৈও সোমাই গৈ মোৰ কোঠাৰ দুৱাৰত ঢকিওৱাৰ দৰে কামো কৰিবলৈ ধৰিলে। ইয়াৰ পিছত কি বাকী থাকিল? মই মোৰ নিজৰ কাষত থিয় দিছো। আত্মৰক্ষাৰ বাবে যদি মই পদক্ষেপ লোৱাটো ভুল হৈছে তেন্তে মই অতিশয় দুঃখিত। প্ৰজ্ঞয়িতাই চালকজনে নিৰ্যাতন চলোৱাৰ গুৰুতৰ অভিযোগ আনি নিজেই আইন হাতত তুলি লৈ চেণ্ডেলেৰে প্ৰহাৰ কৰে যদিও এতিয়ালৈ এজাহাৰ দাখিল কৰিবলৈ সাহস নহ'ল। জানিব পৰা মতে, যিগৰাকী লোকক মহন্ত কন্যাই প্ৰহাৰ কৰিছিল সেইজন হৈছে চৰকাৰী চালক। চৰকাৰে চালক হিচাপে নাই। এই ভিডিঅ' কোনো লোকে ৰেকৰ্ড কৰি সংবাদ মাধ্যমক গোপনে দিয়াত বাতৰি প্ৰকাশ পায়। তেতিয়া প্ৰজ্ঞয়িতাই প্ৰতিক্ৰিয়া দিবলৈ আহিছিল যদিও ভাষ্য আছিল অন্যধৰণৰ। নিজকে সুৰক্ষিত কৰিবলৈ এনেদৰে প্ৰহাৰ কৰা বুলি নিজ পক্ষ ৰাখে। তেওঁ কয় যে সুৰাপান কৰি কৰ্মচাৰীজনে দীৰ্ঘদিন ধৰি মোক লৈ কমেণ্ট পাছ কৰি থাকে। কেতিয়াবা ফটো তোলে। প্ৰায়ে সুৰাপান কৰি অশোভনীয় ব্যৱহাৰ কৰে। বহুবাৰ সকীয়াই দিয়াৰ পিছতো শুধৰণি হোৱা নাছিল। অতিষ্ঠ হৈহে আত্মৰক্ষাৰ বাবে মই এই কাম কৰিবলৈ বাধ্য হ'লো। তেওঁ বেয়া বেয়া মন্তব্য নিযুক্তি দিছে যদিও চালকজনক ব্যক্তিগত গাড়ী চলাবলৈ বাধ্য কৰোৱাৰ অভিযোগ উত্থাপন হৈছে। এটা সূত্ৰই প্ৰকাশ কৰা মতে, চৰকাৰী গাড়ী চলোৱাৰ উপৰি প্ৰজ্ঞয়িতাই চালকজনক ব্যক্তিগত গাড়ী চলাবলৈ বাধ্য কৰাইছিল। চালকজনে কৰি দিব লাগিছিল ঘৰৰ বজাৰ। প্ৰজ্ঞয়িতাই পূৰ্বেও চালকক দুৰ্ব্যৱহাৰ কৰাৰ অভিযোগ আছে। দিছপুৰ বিধায়ক আৱাসত আঁঠুকাঢ়াই চেণ্ডেলেৰে কোবাই প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ কন্যা প্ৰজ্ঞয়িতা কাশ্যপে সংবাদ মাধ্যমত প্ৰকাশ কৰাৰ দৰেই নে এই ঘটনা? যেতিয়ালৈকে এজাহাৰ দাখিল নকৰিব আৰু আৰক্ষীয়ে তদন্ত নকৰিব তেতিয়ালৈকে এই ঘটনা ৰহস্য ঘণীভূত হৈ থাকিব। যিয়েই নহওক, পিতৃ দীৰ্ঘকাল অসুস্থ হৈ থকাত ৰাজনৈতিক চৰ্চাত নাই যদিও কন্যাই এগৰাকী কৰ্মচাৰীক প্ৰহাৰৰ কৰাত হঠাতে মহন্ত পৰিয়াল চৰ্চালৈ আহিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আইআইটি বাবাক গ্ৰেপ্তাৰ, জামিন লাভ

চৰ্চালৈ আহিছে কুম্ভমেলাৰ ভাইৰেল আইআইটি বাবা ওৰফে অভয় সিং। এইবাৰ লগত গাঞ্জা ৰখাৰ অভিযোগত আইআইটি বাবাক আটক কৰে জয়পুৰ আৰক্ষীয়ে। অৱশ্যে কিছু সময় পিছতে জামিনো লাভ কৰে তেওঁ। উল্লেখ্য যে শেহতীয়াকৈ জয়পুৰৰ এখন হোটেলত গাঞ্জাসহ আৰক্ষীয়ে আইআইটি বাবাক গ্ৰেপ্তাৰ কৰা বুলি প্ৰচাৰ হৈছিল বাতৰি। এই সন্দৰ্ভত অভয় সিঙে কয়, "কেতিয়াবা আত্মহত্যা কৰা বুলি, কেতিয়াবা গ্ৰেপ্তাৰ কৰা বুলি মোক লৈ বহুত ভুৱা খবৰ প্ৰচাৰ হৈ আছে। কিন্তু আচল সত্যটো হ'ল যে ঘটনাটো গুৰুতৰ নাছিল বাবেই মোক তৎক্ষণাত্ জামিন দিয়া হৈছিল।" জয়পুৰৰ আৰক্ষীয়ে জনোৱা মতে, হোটেল পাৰ্ক প্ৰাইমত আত্মহত্যাৰ এক খবৰ লাভ কৰাৰ পিছত ঘটনাস্থলীত আৰক্ষীৰ এটা দল উপস্থিত হয় ইয়াৰ পিছতে হোটেলখনত বাহৰ পাতি থকা অভিয় সিং ওৰফে আইআইটি বাবাক গাঞ্জাসহ আটক কৰা হয়। আৰক্ষীয়ে জানিবলৈ দিয়া মতে, তেওঁৰ পৰা ১.৫০ গ্ৰাম গাঞ্জা উদ্ধাৰ কৰা হয়। এগৰাকী আৰক্ষী বিষয়াই কয়, "আইআইটি বাবাজনে গাঞ্জা সেৱন কৰা বুলি স্বীকাৰ কৰিছিল যদিও পৰিমাণ সীমাৰ ভিতৰত থকাৰ বাবে জামিন মঞ্জুৰ কৰা হয়।" এই সন্দৰ্ভত অভয় সিঙে কয়, "মই গাঞ্জা সেৱন কৰো, ইয়াৰ বিষয়ে লুকুৱাবলগীয়া একো নাই। বহু সাধু-সন্তই গাঞ্জা সেৱন কৰে। যদি আৰক্ষীয়ে ইয়াক অপৰাধ বুলি গণ্য কৰে, তেন্তে এয়া তেওঁলোকৰ সমস্যা।" উল্লেখ্য যে শেহতীয়াকৈ 'আইআইটি বাবা'ই নয়ডাৰ এটা ব্যক্তিগত নিউজ চেনেলৰ ডিবেট অনুষ্ঠানত তেওঁক শাৰীৰিকভাৱে অপদস্থ কৰা বুলিও অভিযোগ উত্থাপন কৰিছে। তেওঁৰ দাবী, গেৰুৱা পোছাক পৰিহিত একাংশ লোকে ষ্টুডিঅ'ত প্ৰৱেশ কৰি তেওঁক লাঠীৰে প্ৰহাৰ কৰে। এই ঘটনাৰ বিৰুদ্ধে প্ৰতিবাদ জনাই তেওঁ আৰক্ষী থানাৰ সন্মুখত অৱস্থান ধৰ্মঘটত বহে যদিও পৰৱৰ্তী সময়ত আৰক্ষীয়ে ন্যায় প্ৰদানৰ আশ্বাস দিয়াত প্ৰতিবাদ প্ৰত্যাহাৰ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিশ্ব ৰেকৰ্ডতকৈ ডাঙৰ নহয় পৰীক্ষা!

আয়োজন কৰা ঝুমুৰ বিনন্দিনী অনুষ্ঠানৰ বাবেই জীৱনৰ গুৰুত্বপূৰ্ণ এই দুই পৰীক্ষাৰ পৰা বঞ্চিত হ'ল এইসকল শিক্ষাৰ্থী। ---এই গুৰুতৰ অভিযোগ উত্থাপন কৰে বিধায়ক অখিল গগৈয়ে। দৈনিক প্ৰচলিত এখন অসমীয়া কাকতত প্ৰকাশিত বাতৰিৰ উদ্ধৃতি দি বিধায়ক অখিল গগৈয়ে উত্থাপন কৰে এই অভিযোগ। বিধায়কগৰাকীয়ে সংবাদ মাধ্যমৰ সন্মুখত কয়, ঝুমইৰ বিনন্দিনীত ভাগ লোৱাৰ বাবে ৬,০০০ পৰীক্ষাৰ্থীয়ে পৰীক্ষা নিদিলে মেট্ৰিক পৰীক্ষা। এয়া অতি দুৰ্ভাগ্যজনক কথা। চাহ জনগোষ্ঠীৰ ঝুমুৰক বিশ্বৰ আগত দাঙি ধৰাৰ বাবে অসম চৰকাৰে লোৱা পদক্ষেপক আমি আদৰণি জনাইছো। কিন্তু উচ্চতৰ মাধ্যমিক আৰু মেট্ৰিক পৰীক্ষাৰ সময়ত এই অনুষ্ঠান আয়োজন কৰাৰ ফলত ছয় সহস্ৰাধিক পৰীক্ষাৰ্থীয়ে মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰি তেওঁলোকৰ ক্ষতি হ'ল এটা অমূল্য বৰ্ষ। ইয়াৰ বাবে দায়ী কোন? চৰকাৰ নহয় নে! এই সমস্ত বিষয়টো সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে এটা ৰাজহুৱা বিবৃতি দিব লাগে। শিৱসাগৰ বিধায়কগৰাকীয়ে এই গুৰুতৰ বিষয়টো সন্দৰ্ভত আছু, যুৱ ছাত্ৰ-পৰিষদ, আটছা, আছা, মুক্তি ছাত্ৰ পৰিষদসহ বামপন্থী সংগঠনসমূহক তদন্তৰ দাবী কৰিবলৈ আহ্বান জনায়। গগৈয়ে আৰু কয় যে চাহ জনগোষ্ঠীৰ ভোটৰ আশাত ঝুমুৰ বিনন্দিনীক আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে ঢাল হিচাপে বাছি লয় বিজেপিয়ে। একেদৰে ঝুমুৰ বিনন্দিনীত অংশ লোৱাৰ বাবে মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰা পৰীক্ষাৰ্থীৰ বাবে সুকীয়াকৈ মেট্ৰিক পৰীক্ষা অনুষ্ঠিত কৰাৰো চৰকাৰৰ ওচৰত দাবী কৰে ৰাইজৰ দলৰ সভাপতিগৰাকীয়ে। উল্লেখ্য, যোৱা ২৪ ফেব্ৰুৱাৰীত সৰুসজাইৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত অনুষ্ঠিত হৈ যায় ঝুমুৰ বিনন্দিনী অনুষ্ঠান। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী এছ জয়শংকৰ আৰু কেইবাখনো দেশৰ ৰাষ্ট্ৰদূত উপস্থিত আছিল। এই অনুষ্ঠানত অংশগ্ৰহণ কৰিছিল ৮,৮৮৮ গৰাকী কলা-কুশলীয়ে। যাৰ বাবে তেওঁলোক বঞ্চিত হ'ল মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পৰা। এই সন্দৰ্ভত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাই পৰীক্ষাৰ মাজত এই অনুষ্ঠান কিয় আয়োজন কৰিব লাগে বুলি তেতিয়াই প্ৰশ্ন উত্থাপন কৰিছিল। ছাত্ৰ সংগঠনটোৰ দাবীৰ পাছতে বাতৰিকাকতত প্ৰকাশ পোৱা তথ্যই এতিয়া সৃষ্টি কৰিছে মিশ্ৰিত প্ৰতিক্ৰিয়াৰ।

## জামিনবিহীন ধাৰাৰ পিছতো আটক নোহোৱাত প্ৰতিক্ৰিয়া

# নলবাৰীৰ পশুপালন বিভাগত দুৰ্নীতি, ডাঃ অশ্বিনী কলিতাৰ বিৰুদ্ধে গোচৰ

**ই-সংবাদ ব্যুৰ', নলবাৰী,৩ মাৰ্চঃ** 'দুৰ্ভাগ্যই লগ এৰা নাই ৰাজ্য চৰকাৰৰ পশুপালন বিভাগৰ বিতৰ্কিত, চতুৰ পশু পালন বিষয়া ডাঃ অশ্বিনী কলিতাৰ। উল্লেখ্য, এই বিষয়াগৰাকীয়ে নজিৰবিহীনভাৱে একাধাৰে ৬ বছৰ নলবাৰী জিলা পশুপালন বিভাগত ভাৰপ্ৰাপ্ত পশুপালন-পশু চিকিৎসা বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা সময়ত বিভাগটোত বহু লাখ টকাৰ আঁচনি ৰূপায়ণত ব্যাপক অনিয়ম-দুৰ্নীতি সংঘটিত হৈছিল। ইতিমধ্যে এই সম্পৰ্কে অভিযোগৰ ভিত্তিত সংবাদ মাধ্যমত ধাৰাবাহিকভাৱে বাতৰি প্ৰকাশ হৈছে। তথ্যসহকাৰে বাতৰি প্ৰকাশ হোৱাৰ পিছত বিভাগটোৰ দিছপুৰ কৰ্তৃপক্ষৰ নিৰ্দেশত বিভাগটোৰ গুৱাহাটীৰ চেনিকুঠীস্থিত সঞ্চালক কাৰ্যালয়ে ডাঃ অশ্বিনী কলিতাৰ কাৰ্যকালৰ আঁচনিৰ তদন্ত জাৰি কৰিছে। এনে এক সময়তে 'কৃষক শ্ৰমিক উন্নয়ন পৰিষদ, অসম'ৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মুকুল বৰাই ডাঃ অশ্বিনী কলিতাৰ ওচৰত তেওঁৰ কাৰ্যকালত হোৱা চৰকাৰী আঁচনিৰ দুৰ্নীতিৰ বিৰুদ্ধে নলবাৰী সদৰ থানাত এজাহাৰ দাখিল কৰিছে। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে FIR No 48/2025 U/S 468/471/409/420 বিএনএছ ধাৰাত গোচৰ ৰুজু কৰিছে। লক্ষণীয়ভাৱে এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে দিয়া চৰকাৰী ধন অপব্যৱহাৰ কৰি জামিনবিহীন গ্ৰেপ্তাৰী ধাৰাৰ পিছতো আজিলৈকে দুৰ্নীতিৰ মহানায়ক ডাঃ অশ্বিনী কলিতা আৰক্ষীৰ ওচৰত হাজিৰ হোৱা নাই। অভিযুক্ত বিষয়াগৰাকীৰ হৈ ডাঃ ভাস্কৰ কাকতি নামৰ পশু চিকিৎসকগৰাকী থানাত হাজিৰ হোৱা বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে ডাঃ কাকতি দুৰ্নীতিগ্ৰস্ত পশুপালন বিষয়া ডাঃ অশ্বিনী কলিতাৰ কাৰ্যকালত বিভাগটোৰ চৰকাৰী আঁচনিৰ নলবাৰীৰ ন'ডেল বিষয়া আছিল। তদন্তৰ আওতালৈ এইগৰাকী ন'ডেল বিষয়াকো অনাৰ দাবী জনাইছে জিলাখনৰ এচাম সচেতন পশুপালকে। তাৎপৰ্যপূৰ্ণপূৰ্ণভাৱে নলবাৰী সদৰ আৰক্ষীৰ তদন্তকাৰী আৰক্ষীয়ে গোচৰৰ ভিত্তিত কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।

# উত্তৰ গুৱাহাটীত কপিকূলৰ সন্ত্ৰাস, দুজন আহত

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ৩ মাৰ্চঃ** উত্তৰ গুৱাহাটীত এতিয়া আতংকৰ আন এক নাম হৈ পৰিছে বান্দৰ। বান্দৰৰ উৎপাতত এতিয়া উত্তৰ গুৱাহাটীৰ ৰাইজে শান্তিৰে খাব-শুব নোৱাৰা হৈছে। শ শ বান্দৰৰ উৎপাতত ৰাইজৰ এতিয়া স্বাভাৱিক জীৱন-যাত্ৰা ব্যাহত হৈ পৰিছে। এটা সময় আছিল যেতিয়া এই অঞ্চলৰ প্ৰতিঘৰ মানুহৰ আগফালে এখন মনোমোহা ফুলনি আৰু পিছফালে শাক-পাচলি, ফল-মূলৰে ভৰা একো একোখন বাৰী আছিল। পিছে বান্দৰৰ বাবে এতিয়া এই কামফেৰা ৰাইজে সম্পূৰ্ণৰূপে বাদ দিবলৈ বাধ্য হৈ পৰিছে। যাৰ ফলত পূৰ্বৰ সেই সেউজীয়া পৰিৱেশ বহু পৰিমাণে বিনষ্ট হৈছে। বান্দৰে কেৱল খেতি-বাতিয়েই নষ্ট কৰি ক্ষান্ত নাথাকি খোলা দুৱাৰ-খিৰিকী, ভেণ্টিলেচন আদিৰে ঘৰৰ ভিতৰত প্ৰৱেশ কৰি পাকঘৰৰ খোৱা বস্তু খোৱাৰ উপৰি বহু মূল্যৱান সামগ্ৰীও ভাঙি-চিঙি নষ্ট কৰে। সেয়েহে দিনতেই দুৱাৰ-খিৰিকী বন্ধ ৰাখিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছে। উত্তৰ গুৱাহাটীৰ বহু অঞ্চলত জাকৰুৱা বান্দৰৰ আক্ৰমণৰো সন্মুখীন হৈছে বহু লোক। ইয়াৰ ভিতৰত আকৌ বহুজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছে। যোৱা ২৫ ফেব্ৰুৱাৰীৰ দিনা আবেলি তেনে এক ঘটনা সংঘটিত হয়। উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰস্থিত আনন্দৰাম বৰুৱা ভাষা কলা সংস্কৃতি সংস্থা চমুকৈ এবিলেকৰ দুগৰাকী কৰ্মচাৰী ক্ৰমে পূৰ্ণিমা বৰবৰুৱা আৰু শ্যামল বৰুৱা আবেলি অফিচ ছুটিৰ পিছত ঘৰলৈ ওভতিবলৈ লওঁতে অফিচ চৌহদৰ ভিতৰতে প্ৰায় ১০০ৰ ওপৰৰ এটা বান্দৰৰ জাকে আক্ৰমণ কৰি আহত কৰে। স্থানীয় লোকৰ সহায়ত দুয়ো গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱাৰ পৰা কথমপি ৰক্ষা পৰে। পিছত দুয়োকে নিকটবৰ্তী চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। আশ্চৰ্যজনকভাৱে বান্দৰবোৰে দিনৰ উপৰি প্ৰকৃতিৰ নিয়ম উলংঘা কৰি নিশাও অঞ্চলটোৰ বাটে-পথে বিচৰণ কৰি ফুৰে। যাৰ ফলত তীব্ৰ-বেগী বাহনৰ খুন্দাত বহু বান্দৰৰ ইতিমধ্যে মৃত্যুও হৈছে। দিনক দিনে বৃদ্ধি পোৱা বান্দৰৰ সংখ্যা আৰু আতিশয্যৰ কবলত পৰি বিবুধিত পৰা উত্তৰ গুৱাহাটীবাসীয়ে এতিয়া ত্ৰাহিমধুসূদন সুঁৱৰি অতি শীঘ্ৰে ইয়াৰ এক সু-সমাধান বিচাৰিছে, বিশেষকৈ স্থানীয় বন বিভাগে যাতে প্ৰয়োজনীয় ব্যৱস্থা হাতত লয় তাৰ বাবে আশাৰে বাট চাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কলেজৰ চতুৰ্থ মহলাৰ পৰা জাঁপ

এগৰাকী ছাত্ৰীয়ে নিজ কলেজৰ অট্টালিকাৰ পৰা পৰি নিহত হোৱাৰ ৰহস্যজনক ঘটনা সংঘটিত হৈছে। চতুৰ্থ মহিলাৰ পৰা পৰি ছাত্ৰীগৰাকীয়ে নিজ মহাবিদ্যালয়তে কৰুণ মৃত্যুক আঁকোৱালি লয়। গুৱাহাটী মহানগৰীৰ গীতানগৰস্থিত কন্যা মহাবিদ্যালয়ত এই কৰুণ ঘটনা সংঘটিত হৈছে। মৃত্যুক আঁকোৱালি লোৱা ছাত্ৰীগৰাকী হৈছে অৰ্থনীতি বিভাগৰ দ্বিতীয় ষান্মাসিক সন্দীপন্না। চতুৰ্থ মহলাৰ পৰা ছাত্ৰীগৰাকীয়ে জঁপিয়াই নিজকে শেষ কৰি দিয়াৰ অভিযোগ উত্থাপন হৈছে যদিও পৰিয়াল, ছাত্ৰ সমাজ, শিক্ষক সমাজে তথা স্থানীয় ৰাইজে মানি ল'ব পৰা নাই। পৰিয়ালে হত্যাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। জানিব পৰা মতে, আজি পুৱাই ছাত্ৰীগৰাকীয়ে কলেজলৈ ওলাই অহাৰ কিছু সময় পিছতে এই ঘটনা সংঘটিত হয়। কলেজৰ গেটৰ তলা খুলি থোৱাই আছিল যদিও কলেজ বিল্ডিঙৰ গ্ৰীলৰ গেট নিজেই টানি খুলি অট্টালিকাৰ ওপৰলৈ উঠি যায়। তাৰ কিছু সময়ে পিছতে ছাত্ৰীগৰাকী চতুৰ্থ মহিলাৰ পৰা তলত পৰি মৃত্যুক আঁকোৱালি লয়। ততাতৈয়াকৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰা হয় যদিও চিকিৎসকে মৃত ঘোষণা গীতানগৰ আৰক্ষী থানাত পৰিয়ালে দাখিল কৰা এজাহাৰৰ ভিত্তিত ইতিমধ্যে আৰক্ষীয়ে গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে। ঘটনা অত্যধিক ৰহস্যজনক হৈ পৰিছে। পৰিয়ালে অন্য কোনো লোকে গঁতিয়াই হত্যা কৰাৰ সন্দেহ কৰিছে। পৰিয়ালে কয় যে তাই মানসিক ৰোগী নহয়, চিকিৎসা চলি থকা নাই। আজি কিছু সোনকালে কলেজলৈ আহিছিল। তাই চৰম সিদ্ধান্ত ল'ব পৰা ছোৱালী নহয়।' চিচিটিভি ভিজুৱেল আমাক দিয়ক। মাতৃয়ে কয় যে ঘৰতো অসুবিধা নাছিল। কলেজৰ পৰা ঘৰলৈ আহি গাখীৰ-অ'টছ খোৱাৰ কথা আছিল। ক'ৰবালৈ গ'লেও মাৰ লগতেই ওলাই গৈছিল। কথা কম কৈছিল সেইটো সঁচা, কিন্তু মানসিক অসুখ নাছিল। আনহাতে মৃত্যুক আঁকোৱালি লোৱা ছাত্ৰীগৰাকীয়ে জ্যেষ্ঠ ভগ্নীয়ে এটা নিউজ চেনেলক দিয়া প্ৰতিক্ৰিয়াত এক গুৰুতৰ অভিযোগ উত্থাপন কৰে। জ্যেষ্ঠ ভগ্নীয়ে এক্সট্ৰা ক্লাছৰ বাবে দীপশিখা বাইদেউৰে পুৱা ৯ বজাত পোৱাকৈ কলেজলৈ মাতিছিল। মোবাইলক বাইদেউৰ কেইবাটাও মিছকল আছিল। ছাত্ৰ একতা সভাৰ প্ৰতিনিধিয়ে বাৰে বাৰে ছাত্ৰীগৰাকীৰ মোবাইলটো বিচৰিছিল। মোবাইলটো পুলিচক লাগে বুলি উল্লেখ কৰিছিল, কিন্তু পুলিচ আছিল বেলেগ স্থানতহে। ঘটনাক লৈ সংবাদ মাধ্যমৰ সন্মুখত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মহাবিদ্যালয়ৰ এগৰাকী শিক্ষয়িত্ৰীয়ে কয় যে পুৱা প্ৰায় ৮.৩০ মান বজাত ঘটনা সংঘটিত হয়। তেওঁ আহি ওপৰলৈ যোৱা চিৰিৰ নিজেই গ্ৰীলৰ গেট আছে। কাৰণ ক্লাছ আৰম্ভ হোৱাৰ সময় হৈছিল।মাত্ৰ এগৰাকী শিক্ষয়িত্ৰী মহাবিদ্যালয়খনত উপস্থিত আছিল। কিছুসময় পাছতেই শব্দ শুনা গৈছিল। ঘটনাস্থলীত স্থানীয় লোক উপস্থিত হৈ আৰক্ষীক খবৰ দিয়ে, আৰক্ষীয়ে পৰৱৰ্তী সময়ত ছাত্ৰীগৰাকীক হাস্পতাললৈ নিয়া হয়। কন্যা মহাবিদ্যালয়ৰ অধ্যক্ষই প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে ঠিক ৮.৩০ বজাত কলেজৰ গ্ৰীলৰ দুৱাৰখন চতুৰ্থ বৰ্গৰ কৰ্মচাৰীয়ে খুলি দিছিল। ৮ বাজি ৩২ মিনিট ৫৬ ছেকেণ্ডত ভিতৰলৈ উঠি গৈছিল ছাত্ৰীগৰাকী। কলেজৰ পেপাৰখিনিও ছাত্ৰীগৰাকীয়ে আনি ভিতৰত থৈছিল। কিন্তু এগৰাকী বাইদেৱে শব্দ শুনি চাওঁতেই দেখে ঘটনাটো।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এটা গোচৰত মহবুবুলক জামিন

স্বত্বাধিকাৰী তথা উপাচাৰ্য মহবুবুল হকক এটা গোচৰত জামিন প্ৰদান কৰিছে গুৱাহাটী উচ্চ ন্যায়ালয়ে। শ্ৰীভূমিৰ পাথাৰকান্দি আৰক্ষী থানাত ৰুজু ৫৪/২০২৫ নম্বৰৰ গোচৰত গুৱাহাটী উচ্চ ন্যায়ালয়ে জামিন প্ৰদান কৰিছে। কাইলৈ আন এটা গোচৰৰ শুনানি অনুষ্ঠিত হ'ব। দ্বিতীয়টো ৫৫/২০২৫ নম্বৰৰ গোচৰত ন্যায়ালয়ে যদি জামিন প্ৰদান কৰে তেন্তে মুকলি আকাশৰ তললৈ অহাৰ পথ প্ৰশস্ত হ'ব। গুৱাহাটী উচ্চ ন্যায়ালয়ত মহবুবুল হকৰ বিৰুদ্ধে ৰুজু হোৱা ৫৪/২০২৫ নম্বৰৰ গোচৰত জামিন আৱেদনৰ শুনানিৰ অন্তত ন্যায়ালয়ে ৩ মাৰ্চলৈ ৰায় সংৰক্ষিত কৰিছিল। ২১ ফেব্ৰুৱাৰীত নিশা ডেৰ বজাত গুৱাহাটীৰ ঘোঁৰামৰাৰ ঘৰৰ পৰা শ্ৰীভূমি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল হকক। গুৱাহাটীৰ পৰা প্ৰায় ৩০০ কিলোমিটাৰ দূৰৈৰ শ্ৰীভূমিলৈ নিছিল আৰক্ষীয়ে। ২৫ ফেব্ৰুৱাৰীত আদালতে হকক চাৰি দিনৰ আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰে। পৰৱৰ্তী সময়ত অধিক তদন্তৰ বাবে পুনৰ দিছপুৰ আৰক্ষী থানালৈ আনিছিল যদিও ১ মাৰ্চত শ্ৰীভূমিলৈ নি জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱাত ৭ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। আন পাঁচ অভিযুক্ত হীৰামণি ডেকা, বিজয় দত্ত, ৰেজ্জাক আলী, নুমান আহমেদ আৰু ইমদাদুৰ ৰহমানকো একে সময়তে আৰক্ষীৰ জিম্মাত দিছিল। মহবুবুল হক আৰু শিক্ষকসকলৰ বিৰুদ্ধে প্ৰৱঞ্চনাৰে নম্বৰ বৃদ্ধিৰ আশ্বাস দিয়াৰ অভিযোগ আনিছিল একাংশ ছাত্ৰ-ছাত্ৰীয়ে। প্ৰলোভিত কৰাৰ ছিণ্ডিকেট চলোৱাৰ অভিযোগত ২২ ফেব্ৰুৱাৰীত মহবুবুল হকক গ্ৰেপ্তাৰ কৰা হৈছিল। গুৱাহাটীৰ পৰা প্ৰায় ৩০০ কিলোমিটাৰ দূৰৈৰ শ্ৰীভূমিলৈ পঠিওৱা হৈছিল। উল্লেখ্য যে ইআৰডি নামৰ এটা ফাউণ্ডেচনৰ অধীনত চলা শ্ৰীভূমিৰ পাথাৰকান্দিৰ চিবিএছইৰ অধীনৰ চেণ্ট্ৰেল পাব্লিক স্কুলৰ অন্যতম মালিক হৈছে মহবুবুল হক। পাথাৰকান্দিৰ চেণ্ট্ৰেল পাব্লিক স্কুলক চলিত চিবিএছইৰ পৰীক্ষা কেন্দ্ৰ। উপথাৰকান্দিৰ চেণ্ট্ৰেল পাব্লিক স্কুলৰ পৰীক্ষা কেন্দ্ৰত ২১ ফেব্ৰুৱাৰীত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল। পৰীক্ষা কেন্দ্ৰটোত উচ্চতৰ মাধ্যমিক পৰীক্ষাত অৱতীৰ্ণ ইআৰডি ফাউণ্ডেচনৰ অধীনৰ শিক্ষানুষ্ঠানৰ ২১৪ গৰাকী পৰীক্ষাৰ্থীয়ে পৰীক্ষা হ'লত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰিছিল। চকী-মেজ ভাঙি পেলাইছিল। পৰীক্ষাৰ্থীকসকলক বিশেষ সুবিধা দিয়াৰ প্ৰতিশ্ৰুতি দিয়াৰ অভিযোগ আনি সেই সুবিধা নোপোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰাত আৰক্ষীয়ে বিষয়টো গুৰুত্বসহকাৰে লয়। আৰক্ষীয়ে দণ্ডাধীশৰ পস্থিতিত পৰীক্ষাৰ্থীৰ ভাষ্য সংগ্ৰহ কৰাৰ লগতে কেইবাগৰাকী লোকে পৰীক্ষাৰ্থীৰ সৈতে বুজাবুজি কৰাৰ তথ্য লাভ কৰে। ধনৰ লেনদেনৰ সন্দেহ কৰি ৫৪/২০২৫ নম্বৰত গোচৰ ৰুজু কৰে। গোচৰৰ ভিত্তিত নিশাই ইআৰডি ফাউণ্ডেচন আৰু পাথাৰকান্দি চেণ্ট্ৰেল পাব্লিক স্কুলৰ মালিকীস্বত্বৰ সৈতে জড়িত মহবুবুল হকক গ্ৰেপ্তাৰ কৰে।

# বাঙালডোবাত নাবালিকাক যৌন নিৰ্যাতন নাবালকৰ

**ই-সংবাদ, কোকৰাঝাৰ, ৩ মাৰ্চঃ** কোকৰাঝাৰ-ধুবুৰী জিলাৰ সীমান্তৱৰ্তী তথা ধুবুৰী জিলাৰ চাপৰ থানাৰ অন্তৰ্গত বাঙালডোবা অঞ্চলত কালি সন্ধিয়া এক ভয়াৱহ ঘটনা সংঘটিত হৈছে। এগৰাকী নাবালক কিশোৰে আন এগৰাকী নাবালিকা কিশোৰীক যৌন নিৰ্যাতন কৰি মুমূৰ্ষু অৱস্থাত জংঘলত পেলাই থৈ যোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। যৌন নিৰ্যাতনৰ বলি হোৱা নাবালিকাগৰাকী বৰ্তমান কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত চিকিৎসাধীন হৈ আছে। এই সন্দৰ্ভত পৰিয়ালৰ সূত্ৰই প্ৰকাশ কৰা মতে কোকৰাঝাৰ থানাৰ অন্তৰ্গত চক্ৰশীলা অঞ্চলৰ পৰা তেওঁলোকে চাপৰ থানাৰ অধীনৰ বাঙালডোবাৰ এটা ইটাৰ ভাতাত কাম কৰিবলৈ চাৰি মাহ পূৰ্বেই আহে আৰু ইটাভাতাৰ শিবিৰতে থাকিবলৈ লয়। কালি সন্ধিয়া ৬ মান বজালৈকে তেওঁলোকৰ জ্যেষ্ঠ কন্যা সন্তান শিবিৰলৈ ঘূৰি নহাত চিন্তিত হৈ পৰে। এই সন্দৰ্ভত সৰুজনী ছোৱালীক বায়েকৰ কথা সোধাত একেটা ইটাভাতাতে কাম কৰা এজন কিশোৰে খেলি থকা অৱস্থাৰ পৰাই বায়েকৰ মুখত সোপা দি জংঘলৰ পিনে লৈ যোৱা বুলি জনায়। উক্ত কথা জানিব পাৰি পৰিয়ালত হাহাকাৰ লাগে আৰু মাকে দুজনমান লোকক লৈ জংঘলৰ পিনে জীয়েকক বিচাৰি যায়। সেই সময়তে জংঘলৰ ভিতৰৰ পৰা জীয়েকক চিঞৰি থকা শুনিবলৈ পায়। অন্ধকাৰ নিশা জয়াল পৰিৱেশৰ মাজেৰে চিঞৰৰ অনুমান কৰি কৰি দলটো জংঘলৰ ভিতৰলৈ যায় আৰু মাটিত পৰি থকা অৱস্থাৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হয় আৰু তাৰ পৰা নাবালিকাগৰাকীক ইটাভাতালৈ লৈ আহি আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে চিকিৎসালয়ত ভৰ্তি কৰায়।

# বৰনদীৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, সমাজকৰ্মী উত্তম কুমাৰ ডেকাৰ পৰলোক

**ই-সংবাদ, চামতা, ৩ মাৰ্চঃ** পশ্চিম নলবাৰীৰ বৰনদীস্থিত অসম চৰকাৰৰ গড়কাপ্তানি বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা সমাজকৰ্মী উত্তম কুমাৰ ডেকা (৮৪)ৰ কালিনিশা বাৰ্ধক্যজনিত কাৰণত নিজ ঘৰতে বিয়োগ ঘটাত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। ডেকাই মৰণোত্তৰভাৱে দেহ দান কৰি মহানুভৱতাৰ নিদৰ্শন দাঙি ধৰিছে। সমাজকৰ্মী ডেকা আৰু তেওঁৰ সহধৰ্মিনী লীলা ডেকাই ২০২২ চনত ইলোৰা বিজ্ঞান মঞ্চক দেহদান, চকু দান কৰা সূত্ৰে আজি ডেকাৰ শৱ দেহ ইলোৰা বিজ্ঞান মঞ্চই আনুষ্ঠানিকভাৱে ডেকাৰ শৱদেহ চমজি লয় আৰু পিছত নলবাৰী মেডিকেল কলেজ হাস্পতাল কৰ্তৃপক্ষই শৱদেহ গ্ৰহণ কৰে। কালি নিশাৰ ভিতৰতে ইলোৰা বিজ্ঞান মঞ্চৰ খবৰৰ ভিত্তিত শংকৰদেৱ নেত্ৰালয়ৰ চিকিৎসকৰ দলে বৰনদীৰ বাসভৱনলৈ গৈ ডেকাৰ শৱদেহৰ পৰা চকুজুৰি নেত্ৰালয়লৈ নিয়ে। ডেকা এমাহমান ধৰি বাৰ্ধিক্যজনিত ৰোগত আক্ৰান্ত হৈ আছিল। কালি নিশা হঠাতে অসুস্থ হৈ নিজ বাসভৱন মৃত্যুক আকোঁৱালি লয়। ডেকাই পশ্চিম নলবাৰীৰ লগতে বৰনদী অঞ্চলটোত অতি সৰৱৰহী ব্যক্তিৰূপে পৰিচিত আছিল। আজি তেওঁৰ মৃত্যুৰ খবৰ অঞ্চলটোত বিয়পি পৰাৰ লগে লগে অঞ্চলটোৰ ৰাইজ, আত্মীয়-স্বজন আহি তেওঁৰ ঘৰত উপস্থিত হৈ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ আগমুহূৰ্তলৈকে তেওঁ বৰনদী অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত আছিল। মৃত্যুৰ সময়ত ডেকাই পত্নীসহ চাৰিগৰাকী জী-জোঁৱাইকে ধৰি অসংখ্য আত্মীয়-স্বজনক এৰি যায়। উত্তম কুমাৰ ডেকাৰ দেহ দানে চিকিৎসা বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলক আধুনিক চিকিৎসাৰ ক্ষেত্ৰত উপকৃত কৰিব বুলি ইলোৰা বিজ্ঞান মঞ্চই মত প্ৰকাশ কৰে।

# মোৰাঝাৰ বজাৰত অগ্নিকাণ্ডত জাহ গ'ল এখন বিপণী

**ই-সংবাদ, মোৰাঝাৰ, ৩ মাৰ্চঃ** হোজাইৰ মোৰাঝাৰ বজাৰত নিশা এক অগ্নিকাণ্ড সংগঠিত হয়। যোৱা নিশা এক বজাত এমাদ উদ্দিনৰ এখন পৰিত্যক্ত দোকানৰ পৰা উক্ত অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱা বুলি সন্দেহ প্ৰকাশ কৰা হৈছে। স্থানীয় ৰাইজে ঘটনাটো প্ৰত্যক্ষ কৰি অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়ে। এই খবৰ লাভ কৰি অগ্নিনিৰ্বাপক বাহিনী ঘটনাস্থলীত উপস্থিত হৈ তৎপৰতাৰে জুই নুমাবলৈ সক্ষম হয়। বিশেষ একো ক্ষয়-ক্ষতি হোৱা নাই যদিও কথমপি ৰক্ষা পৰে গ্ৰাম্য অঞ্চলৰ বজাৰখন। মোৰাঝাৰবাসীয়ে মোৰাঝাৰত এটা অগ্নিনিৰ্বাপক বাহিনীৰ আস্থান স্থাপন কৰাৰ দীৰ্ঘদিনৰ পৰা দাবী জনাই আহিছিল যদিও স্থানীয় বিধায়ক বা জনপ্ৰতিনিধিয়ে গুৰুত্ব দিয়া নাই।

## ৰাসায়নিক দ্ৰব্য মিহলি ফল-মূলে জনস্বাস্থ্যলৈ আনিছে ভাবুকি

# ৰমজানৰ ৰোজাত গ্ৰাহকৰ মাজত চাহিদা বৃদ্ধি ফল-মূলৰ

**ই-সংবাদ, পশ্চিম দৰং, ৩ মাৰ্চঃ** মুছলমান ধৰ্মাৱলম্বী লোকসকলৰ মাজত বৰ্তমান চলি চলি আছে ৰমজানৰ ৰোজা ব্ৰত। যাৰ বাবে এইকেইটা দিনত ৰোজাৰ ইফটাৰৰ বস্তু হিচাপে ফল-মূলৰ চাহিদা বৃদ্ধি পাইছে। একাংশ লোকে চ'ক বজাৰত ফল-মূলৰ দোকান দি গ্ৰাহকৰ পৰা মুনাফা লুটাত উঠি পৰি লাগি পৰিছে। ছিপাঝাৰৰ বিভিন্ন ঠাইত আপেল, আঙুৰ, কল, তৰমুজ, কমলা, নাচপতি, ডালিম আদি ফল-মূল উভয়নদী হৈ পৰিছে। ৰোজা পালন কৰাসকলে দিনটো উপবাসে থাকি সন্ধিয়া পৰিয়ালৰ সৈতে একেলগে বহি সু-স্বাদু ফল-মূলেৰে ইফটাৰ কৰাৰ বাবে চ'ক-বজাৰৰ পৰা দোকানীয়ে যি মূল্য নিৰ্ধাৰণ কৰিছে তাকেই দি ক্ৰয় কৰিছে। কিন্তু প্ৰশ্ন হয় বজাৰত উপলব্ধ সতেজ, ৰং-চঙীয়া ফল-মূলবোৰ স্বাস্থ্য উপকাৰী হয় নে নহয়? সাধাৰণতে বজাৰত উপলব্ধ তেনে ফল-মূলসমূহত অসাধু ব্যৱসায়ী একাংশই বিষাক্ত ৰাসায়নিক দ্ৰব্য মিহলি কৰি নিশাটোৰ ভিতৰতে ৰং-চঙীয়া কৰি তোলে। জানিব পৰা মতে, এনে ফল-মূলসমূহ অসাধু ব্যৱসায়ীসকলে লাভালাভৰ বাবে কেলচিয়াম কাৰ্বাইড নামৰ মাৰাত্মক ৰাসায়নিক দ্ৰব্য দি নিশাটোৰ ভিতৰতে পকাই লয়। আৰু সেইবোৰ পুৱা চ'ক বজাৰত ভিটামিনযুক্ত ফল-মূল হিচাপে গ্ৰাহক ৰাইজক বিক্ৰী কৰে। বজাৰত উপলব্ধ এনেবোৰ ফল-মূল খালে মানুহৰ স্বাস্থ্যৰ প্ৰতি ভাবুকি আহিব পাৰে। যি কথা কোনেও এবাৰলৈ চিন্তা নকৰে। বজাৰৰ পৰা কোনো ফল ক্ৰয় কৰি নিয়াৰ এদিন পাছতে ফলবোৰ গেলি যাবলৈ ধৰে। এয়ে ৰাসায়নিক দ্ৰব্য মিহলিৰ এক প্ৰমাণ। বজাৰত উপলব্ধ এনে বস্তুসমূহ মানুহে খোৱাৰ উপযুক্ত হয়নে নহয় তাক পৰীক্ষণ কৰিবলৈ জিলাত যোগান বিভাগ আছে যদিও বিভাগৰ যেন এইবোৰলৈ কোনো ভ্ৰূক্ষেপ নাই।




মাজুলীত বিশ্ব শ্ৰৱণ দিৱস উপলক্ষে সজাগতা ৰেলী, ফটোঃ ই-সংবাদ, মাজুলী

# যোৰহাটৰ ৮ নং স্পাৰৰ ব্ৰহ্মপুত্ৰত মহিলাৰ মৃতদেহ

**ই-সংবাদ, পশ্চিম যোৰহাট,৩ মাৰ্চঃ** যোৰহাট পুলিচৰ আৰক্ষী থানাৰ এলেকাভুক্ত ৮ নং স্পাৰ সমীপৰ ব্ৰহ্মপুত্ৰত ওপঙি থকা এটা মৃতদেহ স্থানীয় লোকে আজি প্ৰত্যক্ষ কৰে। স্থানীয় লোকে এই খবৰ পুলিচৰ আৰক্ষীক জনোৱাত এছ ডি আৰ এফৰ এটা দলে মৃতদেহটো উদ্ধাৰৰ চেষ্টা চলায় যদিও বিফল হ'ব লগা হয়। জানিব পৰা মতে, সন্ধিয়া হোৱাৰ বাবে মৃতদেহটো আজি উদ্ধাৰ কৰিব নোৱাৰিলে। ব্ৰহ্মপুত্ৰৰ পানীত দূৰলৈ মৃতদেহটো ওপঙি যোৱাৰ বাবে এছ ডি আৰ এফৰ দলটোৱে বিচাৰি পোৱাত অসুবিধাৰ সন্মুখীন হয়। অৱশ্যে কাইলৈ পুৱা অভিযান চলিব বুলি আৰক্ষী সূত্ৰত প্ৰকাশ। যোৱা ২৫ ফেব্ৰুৱাৰীৰ পৰা ৮নং স্পাৰ নিবাসী কলাই দাসৰ পত্নী প্ৰমীলা দাস (৩০) সন্ধানহীন হৈ আছিল। বিয়লি ব্ৰহ্মপুত্ৰৰ পৰা পানী আনিবলৈ যাওঁতে পিছলি পৰিছিল মহিলাগৰাকী। উক্ত দিনাৰ পৰা মহিলাগৰাকী সন্ধানহীন হৈ পৰাৰ পিছত আজি মৃতদেহ ওলায়। মহিলাগৰাকীয়ে স্বামী, এজন পুত্ৰ, এগৰাকী কন্যাক এৰি যায়।

# গেলেকীৰ ভিন্নপ্ৰান্তত শিলাবৃষ্টি, বিস্তৰ ক্ষতি

**ই-সংবাদ, গেলেকী, ৩ মাৰ্চঃ** প্ৰবল শিলাবৃষ্টিৰ ফলত নাজিৰা সমজিলাৰ অন্তৰ্গত গেলেকীৰ বিভিন্ন প্ৰান্তত বিস্তৰ ক্ষতি সাধন হৈছে। দেওবাৰে নিশাৰ ভাগত হোৱা এই শিলাবৃষ্টিৰ ফলত বহুলোকৰ বাসগৃহৰ টিন ফুটি বসবাসৰ বাবে অনুপযোগী হৈ পৰিছে বুলি জানিব পৰা গৈছে। বিশেষকৈ গেলেকীৰ তল মৰাণ গাওঁত ১০ তাতকৈও অধিক পৰিয়ালৰ এই শিলাবৃষ্টিৰ ফলত বিস্তৰ ক্ষতি হৈছে বুলি জানিব পৰা গৈছে। ইয়াৰ উপৰিও গেলেকীৰ অন্য প্ৰান্ততো শিলাবৃষ্টি বাবে বহু লোকৰ শাক-পাচলিৰ খেতি নষ্ট হোৱা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে বিগত বৰ্ষত একে শিলাবৃষ্টি ফলত যথেষ্ট ক্ষতিসাধন হৈছিল গেলেকীৰ বিভিন্ন প্ৰান্তত। এই প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত হোৱা লোকসকলক প্ৰয়োজনীয় সহযোগিতা তাৎক্ষণিকভাৱে আগবঢ়াবলৈ স্থানীয় প্ৰশাসনক দাবী জনাইছে গেলেকী আঞ্চলিক ছাত্ৰ সন্থাই।

## তিনিচুকীয়া জিলাৰ বাকাইটাৰীত শিৱমন্দিৰৰ মুক্ত ভৱন নিৰ্মাণৰ আধাৰ শিলা স্থাপন

**ই-সংবাদ , শিমলীতোলা, ৩ মাৰ্চঃ** আজি গোৱালপাৰা জিলাৰ মাটিয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত বাকাইটাৰী শিৱমন্দিৰ প্ৰাংগণত এটা মুক্ত ভৱন নিৰ্মাণৰ কামৰ আধাৰশিলা স্থাপন কৰা হয়। গোৱালপাৰা জিলাৰ বাকাইটাৰী এখন ঐতিহাসিক পুৰণি গাওঁখনত নিৰ্মাণ কৰি উলিওৱা এখন মুক্ত ভৱনৰ প্ৰয়োজনবোধ কৰিছিল স্থানীয় ৰাইজে। তাৰ ফলত স্বৰূপে ৫ নং গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতাৰ সাংসদ পুঁজিৰ ধনেৰে নিৰ্মাণ হ'বলগা মুক্ত ভৱনটোৰ আনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপন কৰে । বাকাইটাৰীৰ যুৱ সমাজ কৰ্মী প্ৰফুল্ল কুমাৰ নাথৰ তত্বাৱধানত অনুষ্ঠিত হোৱা উক্ত আধাৰ শিলা স্থাপন কাৰ্যসূচীত অংশগ্ৰহণ কৰে গোৱালপাৰা জিলা বিজেপি পেৰেন্ট কমিটিৰ সভানেত্ৰী গীতাঞ্জলি দাসৰ লগতে সমাজৰ বিশিষ্ট ব্যাক্তিসকল। সাংসদে ৰাইজৰ বাবে যি সহায়ৰ হাত আগবঢ়ালে তাৰ বাবে ৰাইজে সাংসদ গৰাকীক ধন্যবাদৰ লগতে মন্দিৰটোৰ এখন বাউণ্ডেৰী দেৱাল দিবলৈ ৰাইজে দাবী জনায়।

# মৰিগাঁৱত সন্ত্ৰাস সৃষ্টি কৰা গভাইত মণিকূট চোৰক কৰায়ত্ত

**ই-সংবাদ, মৰিগাঁও, ৩ মাৰ্চঃ** যোৱা প্ৰায় এমাহ ধৰি মৰিগাঁৱত ধাৰাবাহিকভাৱে চুৰিকাণ্ড সংঘটিত কৰি আৰক্ষীৰ নিদ্ৰা হৰণ কৰি অহা এটা চুৰি চক্ৰৰ প্ৰদীপ দাস নামৰ এটা গভাইত চোৰক আজি মৰিগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। মৰিগাঁও আৰক্ষীক নাকত ধৰি চাকত ঘূৰোৱা এই চুৰ চক্ৰটোৱে মৰিগাঁও চহৰৰ লগতে সমীপৰৰ্তী অঞ্চলসমূহত নিশাৰ ভাগত মানুহৰ ঘৰৰ মণিকূট, নামঘৰ, মঠ-মন্দিৰ আদিত প্ৰৱেশ কৰি কাঁহ-পিতলৰ মূল্যৱান সম্পদ, প্ৰণামীৰ ধন আদি লুটি নিয়াৰ উপৰিও থাপনাৰ ভাগৱত গ্ৰন্থ দলিয়াই থৈ যায়। সৰ্বত্ৰ আতংকৰ সৃষ্টি কৰি অহা এই চুৰি চক্ৰটোক কৰায়ত্ত কৰিবলৈ আৰক্ষীয়ে দিন-ৰাতি একাকাৰ কৰি অভিযান অব্যাহত ৰাখিছে। এই অভিযানৰ মাজতে মৰিগাঁও সদৰ আৰক্ষীয়ে আজি চহৰখনৰ গোহাঁই গাঁৱৰ প্ৰদীপ দাস নামৰ গভাইত চোৰটোক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য মতে ডেম্পত মন্দিৰত ব্যৱহৃত কাঁহ-পিতলৰ সামগ্ৰী বিক্ৰী কৰিবলৈ যাওঁতে আৰক্ষীয়ে কৰায়ত্ত কৰে এই চোৰটোক। চোৰটোৰপৰা আৰক্ষীয়ে জব্দ কৰে মণিকূটৰপৰা চুৰি কৰা কাঁহ-পিতলৰ বহু মূল্যৱান সামগ্ৰী। চোৰটোক বৰ্তমান মৰিগাঁও সদৰ থানাত আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে। উল্লেখ্য যে মণিকূট চোৰ প্ৰদীপৰ সৈতে অন্য কেইবাটাও চোৰ জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰিছে আৰক্ষীয়ে। প্ৰণিধানযোগ্য যে কিছুদিন পূৰ্বে আৰক্ষীয়ে এই চক্ৰটোৰ ভিতৰৰে ক্ৰমে দীপাংকৰ ওৰফে ডিম্পল নাথ, নিৰেন্দ্ৰ দাস আৰু লক্ষ্যজ্যোতি শৰ্মা নামৰ তিনিটা চোৰক গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰিছিল। ধৃত চোৰকেইটাৰপৰা আৰক্ষীয়ে বহুকেইডাল সোণৰ চেইন, খাৰু, আঙুঠি, কাঁহৰ কাঁহী-বাতি, শৰাই, গোঁসাই ঘৰত ব্যৱহৃত কাঁহ-পিতলৰ আন আন মূল্যবান সামগ্ৰী, মোবাইল ফোন আৰু এখন নম্বৰপ্লেটবিহীন মটৰ চাইকেল জব্দ কৰিছিল। মাথোঁ কেইদিনমান পূৰ্বে হোজাই জিলা কাৰাগাৰৰপৰা ওলাই আহিয়ে এই গভাইত চোৰকেইটাই পুনৰ চুৰি কাৰ্যত লিপ্ত হৈ মৰিগাঁৱত একপ্ৰকাৰৰ আতংকৰ সৃষ্টি কৰি আহিছে।

# ঢেঁকীপাৰা প্ৰাথমিক বিদ্যালয়ত ৰাইজৰ উৎসৱ উদযাপন

**ই-সংবাদ, ছিপাঝাৰ, ৩ মাৰ্চঃ** সমগ্ৰ শিক্ষা অভিযান দৰং জিলাৰ ছিপাঝাৰ শিক্ষাখণ্ডৰ অন্তৰ্গত ঢেঁকীপাৰা মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত আজি ঢেঁকীপাৰা প্ৰাথমিক বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে এক ৰাইজৰ উৎসৱ অনুষ্ঠিত হয়। ঢেঁকীপাৰা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক প্ৰণৱ কুমাৰ ডেকাৰ তত্বাৱধানত চলা এই অনুষ্ঠানত কাৰ্যসূচী অনুসৰি ৰাতিপুৱা ৯ বজাত পতাকা উত্তোলন কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক মিতুল লহকৰে। ইয়াৰ পিছত গছপুলি ৰোপণ কৰে শালমাৰা মজলীয়া বিদ্যালয়ৰ অৱসৰী শিক্ষক ৰুদ্ৰকান্ত বড়াই। আনহাতে, ১০ বজাত সমল কেন্দ্ৰটোৰ অন্তৰ্গত আটাইকেইখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক সমন্বিতে আঞ্চলিক ৰাইজে বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণ কৰে। শোভাযাত্ৰা উদ্বোধন কৰে ছিপাঝাৰৰ জ্যেষ্ঠ সাংবাদিক ইন্দাদুল হকে। উল্লেখ্য যে সাংস্কৃতিক শোভাযাত্ৰাত দৰঙী লোককৃষ্টি ওজাপালি, নাঙেলী গীত, দেওধনী নৃত্য, মহোহোৰ লগতে বিয়াগীত, জিকিৰ আৰু অসমীয়া সংস্কৃতিৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ চানেকি বাগুৰুম্বা, ঝুমুৰ, বিহু আদি পৰিৱেশন কৰে শিল্পীসকলে। ১১ বজাৰপৰা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰ লগতে শৈক্ষিক আলাপ অনুষ্ঠিত হয়। অনুষ্ঠানটিত অংশগ্ৰহণ কৰি ছিপাঝাৰ শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াই চৰকাৰী মাধ্যমৰ বিদ্যালয়বিলাকৰ এনে অনুষ্ঠানসমূহত ৰাইজৰ অংশগ্ৰহণে অধিক আগবঢ়াই নিব বুলি মন্তব্য কৰে। তেওঁৰ পিছতে ছিপাঝাৰ শিক্ষাখণ্ডৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক লক্ষ্যধৰ শৰ্মা আৰু খণ্ড সমল ব্যক্তি গীতাৰাণী দেৱীয়ে ৰাইজক উদ্দেশ্যি বহুমূলীয়া ব্যক্তব্য প্ৰদান কৰে। ঢেঁকীপাৰা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক প্ৰণৱ কুমাৰ ডেকাই আঁতধৰা সভাখনত ঢেঁকীপাৰা প্ৰথমিক বিদ্যালয়ত স্বেচ্ছামূলকভাৱে শিক্ষাদান কৰি অহা তিনিগৰাকী শিক্ষক ক্ৰমে ৰন্টু শইকীয়া, দিব্যজ্যোতি ডেকা আৰু নিশামনি শৰ্মাক একোখনি ফুলাম গামোচা আৰু অভিনন্দন-পত্ৰৰে সম্বৰ্দ্ধনা জনোৱা হয়। পকাদলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী প্ৰধান শিক্ষক ব্ৰজেন্দ্ৰ চন্দ্ৰ নাথ, নৰজনতা প্ৰাথমিক বিদ্যালয়ৰ অবসৰী শিক্ষক টংকেশ্বৰ হাজৰিকা, ২ নং পাঠকপুৰ প্ৰাথমিক বিদ্যালয়ৰ অৱসৰী প্ৰধান শিক্ষক নৰেন্দ্ৰ নাথ শইকীয়া আদি ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থকা অনুষ্ঠানটিত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্নধৰণৰ খেল-ধেমালি অনুষ্ঠিত কৰি পুৰস্কাৰ বিতৰণ কৰা হয়। উল্লেখযোগ্য যে মণ্ডল সমল কেন্দ্ৰটিৰ অন্তৰ্গত পাঁচখন প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মনোৰম সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। তিনি শতাধিক ৰাইজে ভাগ লোৱা অনুষ্ঠানটিত শিক্ষক গকুল ডেকা, মিতালী দাস, মৌচুমী কলিতা, ভায়'লিনা ভাৰতী, যামিনী দেৱী, ভুপেন বড়া, পল্লৱী দেৱী, গুণলতা দেৱী, জোনটি দেৱী বৰুৱা উপস্থিত থাকে।

# ধূপধৰাত নিৰুদ্দিষ্ট ব্যক্তিৰ মৃতদেহ উদ্ধাৰক লৈ চাঞ্চল্য

**ই-সংবাদ, ধূপধৰা, ৩ মাৰ্চঃ** গোৱালপাৰা জিলাৰ পূব প্ৰান্তৰ ধূপধৰাৰ অসম-মেঘালয় সীমান্তৱৰ্তী অঞ্চলৰ কঁচুবাৰী গাঁৱত আজি এজন লোকৰ মৃতদেহ উদ্ধাৰ হয়। এই ঘটনাই সমগ্ৰ অঞ্চলটোতে চাঞ্চল্যৰ সৃষ্টি কৰে। উদ্ধাৰ হোৱা মৃতদেহটো কঁচুবাৰী গাঁৱৰ চেকোৱাৰী প্ৰথম খণ্ডৰ পঞ্চাছ উৰ্ধ্বৰ দীনেশ ৰাভাৰ বুলি চিনাক্ত কৰা হৈছে। উল্লেখ্য যে আজিৰ পৰা প্ৰায় ডেৰমাহ পূৰ্বে সন্ধানহীন হৈ আছিল দীনেশ ৰাভা। আজি তেওঁৰ ঘৰৰ পৰা প্ৰায় দুই কিলোমিটাৰ নিলগৰ এটা পিতনিত উদ্ধাৰ হয় লোকজনৰ মৃতদেহ। দীনেশ ৰাভাক দুৰ্বৃত্তই হত্যা কৰি মৃতদেহটো পিতনিৰ তলত পেলাই থৈ দিয়াৰ সন্দেহ প্ৰকাশ কৰিছে পৰিয়ালৰ লোকে। কোনো লোকে সেই পিতনিত মাছ মাৰিবলৈ আহি মৃতদেহটো প্ৰত্যক্ষ কৰে আৰু প্ৰথমে আৰক্ষীক খবৰ দিয়ে। ইয়াৰ পিছতে ঘটনাস্থলীত দণ্ডাধীশৰ উপস্থিতিত ধূপধৰা আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি প্ৰাথমিক তদন্তৰ পিছত মৃতদেহটো মৰোণোত্তৰ পৰীক্ষাৰ বাবে গোৱালপাৰালৈ প্ৰেৰণ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীৰ অনুসন্ধান অব্যাহত আছে।

Nucleomed- পেটিচিটি স্কেন / PETCT Scan- 970701223

# সংগীত-নাট একাডেমী, বিষ্ণু ৰাভা বঁটা প্ৰাপক শিল্পী ধৰ্মেশ্বৰ নাথ ওজাৰ মৃত্যু



**ই-সংবাদ, মঙলদৈ, ৩ মাৰ্চঃ** সংগীত নাটক অকাডেমী আৰু বিষ্ণু ৰাভা বঁটা প্ৰাপক শিল্পী দৰং জিলাৰ ছিপাঝাৰৰ ধৰ্মেশ্বৰ নাথ ওজাৰ সোমবাৰে আবেলি মৃত্যু হয়। সংগীত-নাট একাডেমী আৰু বিষ্ণুৰাভা বঁটা প্ৰাপক ছিপাঝাৰৰ ব্যাস সংগীতৰ সাধক ধৰ্মেশ্বৰ নাথ ওজাৰ হঠাৎ হোৱা মৃত্যুৰ খবৰে জিলাখনৰ লগতে ৰাজ্যৰো সাংস্কৃতিক ক্ষেত্ৰখনৰ লোকসকলৰ মাজত শোকৰ ছাঁ পেলাইছে। অসম চৰকাৰৰ শিল্পী পেঞ্চনাৰ ধৰ্মেশ্বৰ নাথে ২০২৩ চনত সংগীত-নাট একাডেমী বঁটা আৰু ২০২৪ চনত বিষ্ণুৰাভা বঁটা লাভ কৰিছিল। সোমবাৰে নাথ হঠাতে অসুস্থ হোৱাত পৰিয়ালৰ লোকে দুপৰীয়া মঙলদৈ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰায় যদিও বিয়লি ২.৪৫ বজাত শিল্পীগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯০ বছৰ।

# ঘগ্ৰাপাৰৰ জনস্বাস্থ্য বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী বাসৱ ডেকাৰ মৃত্যু

**ই-সংবাদ , নলবাৰী, ৩ মাৰ্চঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ঘগ্ৰাপাৰ বাঘমাৰা (শ্ৰীনগৰ চুবুৰী) গাঁৱৰ নিবাসী তথা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী বাসৱ ডেকাৰ আজি পুৱাৰ ভাগত নিজ গৃহতে মৃত্যু হয়। তেওঁৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ পিছতে অঞ্চলটোত এক শোকৰ ছাঁ পৰে। ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বৰমপুৰ গাঁৱত জন্মগ্ৰহণ কৰা বাসৱ ডেকাই কিছু বছৰ পূৰ্বে বৰমপুৰৰ পৰা গৈ একেটা ৰাজহ চক্ৰৰে নিমুৰা গাঁৱত বসতি স্থাপন কৰে। পৰৱৰ্তী সময়ত তেওঁ নিমুৰাৰপৰা গৈ বাঘমাৰা (শ্ৰীনগৰ চুবুৰী) গাঁৱত স্থায়ীভাৱে বসবাস কৰি আছিল। তেওঁ ২০১০ চনত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰে। তেওঁ অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। তেওঁ ঐতিহ্যমণ্ডিত নিমুৰা বুঢ়াগোহাঁই থান পৰিচালনা সমিতিৰ ছয় বছৰ কাৰ্যকালৰ প্ৰাক্তন সভাপতি আছিল। ইতিহাসপ্ৰসিদ্ধ ঘগ্ৰাপাৰ হৰিমন্দিৰ পৰিচালনা সমিতি আৰু দুৰ্গাপূজা পৰিচালনা সমিতিৰ প্ৰাক্তন কাৰ্যকৰী সভাপতি আৰু উপ-সভাপতি আছিল। লগতে তেওঁ নিমুৰা গাঁও উন্নয়ন আৰু পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি আছিল। তদুপৰি তেওঁ অঞ্চলটোৰ বিভিন্ন সভা-সমিতিত প্ৰত্যক্ষভাৱে জড়িত হৈ আছিল। তেওঁ প্ৰায় দুবছৰ ধৰি মধুমেহ ৰোগত আক্ৰান্ত হোৱাৰ বাবে চিকিৎসাধীন হৈ ঘৰত থাকিব লগা হৈছিল। আজি পুৱাৰ ভাগত হঠাৎ অসুস্থ হৈ পৰাৰ পিছতে পুৱা ৫.৪২ বজাত নিজ গৃহতে শেষনিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৫ বছৰ। তেওঁৰ মৃত্যুত নিমুৰা বুঢ়াগোহাঁই থান, ঘগ্ৰাপাৰ হৰিমন্দিৰ, নিমুৰা গাঁও উন্নয়ন আৰু পৰিচালনা সমিতিকে ধৰি স্থানীয় অনুষ্ঠান-প্ৰতিষ্ঠানে শোকপ্ৰকাশ কৰে।

# কলগাছিয়াত শান্তিপূৰ্ণভাৱে মেট্ৰিক পৰীক্ষাৰ সামৰণি

**ই-সংবাদ, মন্দিয়া, ৩ মাৰ্চঃ** ৰাজ্যখনৰ বিভিন্ন জিলাৰ লগতে বৰপেটা জিলাৰ কলগাছিয়া, খৰিচালা, লাংলা, বালিকুৰি, মইনবৰী আৰু গুনিয়ালগুৰিত শান্তিপূৰ্ণভাৱে মেট্ৰিক পৰীক্ষাৰ সফল সামৰণি পৰে। উল্লেখ্য যে যোৱা ১৫ ফেব্ৰুৱাৰীৰ পৰা ৩ মাৰ্চলৈকে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা সংসদৰ নিৰ্দেশত ৰাজ্যখনৰ আন আন জিলাৰ লগতে বজালী আৰু বৰপেটা জিলাতো পৰীক্ষা অনুষ্ঠিত হয়। জানিব পৰা মতে, দুয়োখন জিলাৰ ৬৭ টা পৰীক্ষা কেন্দ্ৰৰ বিপৰীতে মুঠ ২৮৭১০ গৰাকী পৰীক্ষাৰ্থী মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হয়। এইক্ষেত্ৰত বৰপেটা জিলাৰ দায়িত্বত থকা বিদ্যালয়সমূহৰ পৰিদৰ্শক ৰাতুল কুমাৰ দাস আৰু অসম ৰাজ্যি বিদ্যালয় শিক্ষা পৰিষদৰ বৰপেটা জিলা মাণ্ডলীক কাৰ্যালয়ৰ সদস্য সচিব নিৰঞ্জন ওজাৰ এক বলিষ্ঠ পদক্ষেপৰ বাবে আটাইকেইটা পৰীক্ষা কেন্দ্ৰৰ পৰীক্ষা গাইড লাইন অনুসৰি কেন্দ্ৰসমূহৰ পৰীক্ষাৰ দায়িত্বত থকা বিষয়াসকলৰ উপৰি কলগাছিয়া আৰক্ষী থানাৰ আৰক্ষীৰ সহযোগত শান্তিপূৰ্ণভাৱে পৰীক্ষা অনুষ্ঠিত হয়। পশ্চিম বৰপেটাৰ খৰিচালাৰ জনপ্ৰিয় উচ্চতৰ মাধ্যমিক বিদ্যালয়, কলগাছিয়া কে কে পাঠক হাইস্কুল, দক্ষিণ ৰূপসী হাইস্কুল, গুনিয়ালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়, বালিকুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়, টি এন ডি ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়, লাংলাং উচ্চতৰ মাধ্যমিক বিদ্যালয়, বালাগাও উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মইনবৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰত কোনো ধৰণৰ অসৎ উপায় অৱলম্বন নকৰাকৈ শান্তিপূৰ্ণভাৱে পৰীক্ষা অনুষ্ঠিত হয়। সকলো বিষয়া-কৰ্মচাৰীক অঞ্চলটোৰ শিক্ষা সচেতন মহলৰ উপৰি অভিভাৱকসকলে ধন্যবাদ জ্ঞাপন কৰে।

# ৯ মাৰ্চত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক অধিৱেশন

**ই-সংবাদ, বেবেজীয়া, ৩ মাৰ্চঃ** অসম সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ ন-পুৰণি যুটীয়া বৈঠক আৰু প্ৰথম কাৰ্যনিৰ্বাহক অধিৱেশনখনি অহা ৯ মাৰ্চত যোৰহাটত অনুষ্ঠিত হ'ব। সেইদিনা পুৱা ১৯ বজাৰ পৰা দানবীৰ ৰাধাকান্ত সন্দিকৈ ভৱনৰ নৱনিৰ্মিত প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগীয়া এই অধিৱেশনত অসম সাহিত্য সভাৰ ন-পুৰণি সদস্যসকলে অংশগ্ৰহণ কৰিব। এই উদ্দেশ্যে দেওঁবাৰে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই সভাৰ কাৰ্যালয়লৈ আহি অধিৱেশন আয়োজনৰ স্থান পৰিদৰ্শন কৰে বুলি জানিবলৈ পোৱা গৈছে। লগতে তেওঁ অসম সাহিত্য সভাৰ নৱ মনোনীত ধন ভৰালী মণিৰাম লাহন, সচিব অশোক সেনাপতি, কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ সম্পাদক জ্যোতিৰেখা হাজৰিকা, সাহিত্য সংগঠক শংকুসিদ্ধ নাথ, বিদ্যুৎ ভূষণ বৰা, যোৰহাট সাহিত্য সভাৰ সম্পাদক উত্তম কুমাৰ হাজৰিকাকে প্ৰমুখ্য কৰি কৰ্মকৰ্তাসকলৰ লগত বাৰ্তালাপ কৰি উক্ত অধিৱেশনখনি সাফল্যমণ্ডিত কৰি তুলিবলৈ সকলোকে আহ্বান জনায়। ইফালে, অসম সাহিত্য সভাৰ আংশিক কাৰ্যনিৰ্বাহক সমিতিৰ সদস্যসকলে পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সমিতিখন গঠনৰ ব্যাপক কুচ-কাৱাজ চলোৱাৰ কথা জানিব পৰা গৈছে। উল্লেখ্য যে, যোৱা ৫ ফেব্ৰুৱাৰীত বজালী আৱৰ্ত ভৱনত অনুষ্ঠিত প্ৰাৰম্ভিক বৈঠকে ৩৩ শতাংশ মহিলাৰ আসন সংৰক্ষণ কৰা, বিতৰ্কিত ব্যক্তিসকলক কাৰ্যনিৰ্বাহকত অন্তৰ্ভুক্ত নকৰা, বিত্তীয় শৃংখলা ৰক্ষা কৰি হিচাপ দাখিল নকৰা সংগঠকসকলক কাৰ্যনিৰ্বাহকত অন্তৰ্ভুক্ত নকৰাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। তাৰ পৰিপ্ৰেক্ষিততে এতিয়া পূৰ্বতে সাহিত্য সভাৰ অধিৱেশনকে ধৰি বিভিন্ন অনুষ্ঠান আয়োজন কৰা সংগঠকসকলে হিচাপ দিবলৈ এতিয়া থৌকি-বাথৌ লগাইছে বুলি জানিব পৰা গৈছে। সভাৰ এক ভিতৰুৱা সূত্ৰই জনোৱা মতে, পূৰ্বতে সাহিত্য সভাৰ কাৰ্যনিৰ্বাহকত জড়িত হৈ বহু অনুষ্ঠান আয়োজনত লাখ লাখ টকা সংগ্ৰহ কৰি উদৰস্থ কৰা একাংশই কাৰ্যনিৰ্বাহকত সোমাবলৈ উঠি-পৰি লাগিছে। গতিকে ড০ বসন্ত কুমাৰ গোস্বামী, পদুম ৰাজখোৱা আৰু দেৱজিৎ বৰাৰ নেতৃত্বত এখন সুস্থ-সবল কাৰ্যনিৰ্বাহক সমিতি গঠন হ'ব বুলি আশা কৰা হৈছিল যদিও সেই আশা নিৰ্বাপিত হোৱাৰহে এতিয়া সম্ভাৱনা প্ৰকট হৈ পৰিছে বুলি সভাৰ একাংশ সচেতন ব্যক্তিয়ে জানিবলৈ দিছে। কাৰ্যনিৰ্বাহক অধিৱেশনক লৈ ইতিমধ্যে প্ৰস্তুতি আৰম্ভ হৈছে।

# বিশিষ্ট সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত শিক্ষক লম্বোদৰ শইকীয়াৰ পৰলোকপ্ৰাপ্তি

**নগাঁও, ৩ মাৰ্চঃ** নগাঁও জিলাৰ জাজৰিৰ ঢলপুৰীয়াৰ নিবাসী, হাতীচোং মজলীয়া বিদ্যালয়ৰ প্ৰাক্তন শিক্ষক, লতাবোৰা মজলীয়া বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক লম্বোদৰ শইকীয়া (লক্ষী)ৰ গুৱাহাটীৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত ৮৩ বছৰ বয়সত আজি পুৱা প্ৰায় ১০.২৫ বজাত পৰলোকপ্ৰাপ্তি ঘটে। ইংৰাজী ব্যাকৰণ বিষয়ত প্ৰচুৰ বুৎপত্তি থকা অৱসৰপ্ৰাপ্ত কৃতী প্ৰধান শিক্ষকগৰাকী শিক্ষকতাৰ লগতে সমাজসেৱামূলক কাম-কাজতো সক্ৰিয়তাৰে জড়িত আছিল। অসম গণ পৰিষদ দলৰ মাজ জাজৰি আঞ্চলিক সমিতিৰ প্ৰাক্তন সভাপতি, জাজৰি ঢলপুৰীয়া যুৱক সংঘ অনন্ত পুথিভঁৰাল আৰু সামূহিক কেন্দ্ৰৰ উপদেষ্টা তথা সোণালী জয়ন্তী উদযাপন সমিতিৰ সম্পাদক, বেলতল আঞ্চলিক শিৱ মন্দিৰ পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সম্পাদক, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মাজ জাজৰি পানীযোগান আঁচনি পৰিচালনা সমিতিৰ সভাপতি, জাজৰি আঞ্চলিক শাখা বিজ্ঞান সমিতিৰ সভাপতি, জাজৰি জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক, বৃহত্তৰ ঢলপুৰীয়া গাঁও খেল সমাজৰ সভাপতি আৰু জাজৰি ডাকঘৰ উন্নয়ন সমিতিৰ সভাপতি আদিকে ধৰি অঞ্চলটোৰ প্ৰায়বোৰ সামাজিক, শৈক্ষিক আৰু ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত আঞ্চলিকতাবাদী শিবিৰৰ প্ৰবীণ সমাজ সংগঠকগৰাকীৰ বিয়োগত গ্ৰামাঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। সদৌ অসম কৰ্মচাৰী পৰিষদ আৰু নগাঁও জিলা মজলীয়া বিদ্যালয় শিক্ষক সন্থাৰ লগতো জড়িত থকা লম্বোদৰ শইকীয়াৰ বিয়োগত স্থানীয় প্ৰায়বোৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ উপৰি সান্নিধ্য, ৰংঘৰ কলা পৰিষদ, নগাঁও জিলা মজলীয়া বিদ্যালয় শিক্ষক সন্থা আৰু হাতীচোং মজলীয়া বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী গোটেও শোকপ্ৰকাশ কৰিছে। মৃদুভাষী, অমায়িক স্বভাৱৰ সৰবৰহী লোকগৰাকীয়ে মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে পুত্ৰ-বোৱাৰী, জী-জোঁৱাই আৰু নাতি-নাতিনীক ইহ-সংসাৰত এৰি থৈ যায়।

# চামতাৰ গন্ধিয়াৰ ঐতিহ্যমণ্ডিত নৱগ্ৰহ দেৱালয়ত চাৰিদিনীয়া মহাযজ্ঞৰ আয়োজন

**ই-সংবাদ, চামতা, ৩ মাৰ্চঃ** নলবাৰী জিলাৰ চামতাৰ ঐতিহ্যমণ্ডিত শ্ৰী শ্ৰী নৱগ্ৰহ দেৱালয়ত অহা ৯, ১০, ১১ আৰু ১২ মাৰ্চত ৩৩সংখ্যক নৱগ্ৰহ মহাযজ্ঞৰ আয়োজন কৰা হৈছে। ইতিমধ্যে বিজয় প্ৰসাদ শৰ্মাক সভাপতি, পৰেশ চন্দ্ৰ চক্ৰৱৰ্তীক কাৰ্যকৰী সভাপতি, অশোক কুমাৰ শৰ্মা, মনোজ কুমাৰ শৰ্মাক যুটীয়া সম্পাদক হিচাপে লৈ এখন মহাযজ্ঞ পৰিচালনা সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি ৯ ফেব্ৰুৱাৰীত পুৱা ১০.৪০ বজাত মহাযজ্ঞৰ অভ্যদায়িক শ্ৰদ্ধ। সন্ধিয়া ৬.৩০ বজাত বন্তি প্ৰজ্জ্বলনেৰে ৩৩ সংখ্যক নৱগ্ৰহ মহাযজ্ঞৰ শুভাৰম্ভ কৰিব নলবাৰী জিলাৰ আয়ুক্ত বৰ্ণালী ডেকাই। অনুষ্ঠানত উপস্থিত থাকিব পশ্চিম নলবাৰী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া অসীম মজুমদাৰ, কটন বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড০ নন্দিতা দাস, বিশিষ্ট উদ্যোগপতি মহেন্দ্ৰ মালো। সন্ধিয়া ৬.৩০ বজাত আকৰ্ষণীয় আতচবাজী প্ৰদৰ্শন। ৭ বজাত মঞ্চ উদ্বোধন কৰিব বিশিষ্ট সমাজ সচেতক পৱিত্ৰ কুমাৰ ডেকাই। ৭.৩০ বজাত অসমীয়া গীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ১০ মাৰ্চত ৪.৩০ বজাত নৱগ্ৰহ স্তোত্ৰ বন্দনাৰে প্ৰভাত ফেৰী, পুৱা ৯ বজাত শ্ৰী শ্ৰী নৱগ্ৰহ মহাযজ্ঞৰ ধৰ্মধ্বজা উত্তোলন। উত্তোলক হিচাপে অংশ ল'ব নৱগ্ৰহ দেৱালয়ত মুখ্য আচাৰ্য পংকজ লোচন শৰ্মাই। পুৱা ৯.৩০ বজাত কুমাৰী কন্যাৰে জলযাত্ৰা। ১০.২৭ বজাত সূৰ্যৰ ৰশ্মিৰ পৰা নৱগ্ৰহৰ অগ্ন্যাহৰণ। ১১.৩০ বজাৰ পৰা গ্ৰহ পূজাৰে নৱগ্ৰহ মহাযজ্ঞ শুভাৰম্ভ। ১২.৩০ বজাত ৩৩ সংখ্যক নৱগ্ৰহ মহাযজ্ঞৰ বেদমন্ত্ৰ উচ্চাৰণৰে আহুতি প্ৰদান আৰম্ভ। ১ বজাত নাগমাতা শুকনান্নী ওজাপালি, ছিপাঝাৰৰ দ্বাৰা ওজাপালি প্ৰদৰ্শন। নিশা ৯ বজাত বীণাপানী যান্ত্ৰিক থিয়েটাৰ, বণিয়াকুছিৰ নাট্যাভিনয় অনুষ্ঠিত হ'ব। ১১ ফেব্ৰুৱাৰীত পুৱা ৯.৩০ বজাত অবিৰতভাৱে গ্ৰহ পূজাৰ বেদমন্ত্ৰৰে গ্ৰহ পূজা আৰু আহুতি প্ৰদান। ৯.৫০ বজাত সদৌ অসম বাহ্মণ মহাসভাৰ গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভাৰ বৈঠক। ১১ বজাত ভাগৱত পাঠ। দিনৰ ১ বজাত কণ কণ শিশুৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আবেলি ৩.৩০ বৌমাৰী গোপালসেৱক ঢুলীয়া দলৰ দ্বাৰা ঢুলীয়া প্ৰদৰ্শন। সন্ধিয়া ৬.৩০ বজাত গ্ৰহ দেৱতাৰ আৰতি প্ৰদান আৰু সন্ধ্যা কীৰ্তন। ১২ ফেব্ৰুৱাৰীত পুৱা ৯.৩০বজাত আবিৰত গ্ৰহ পূজা আৰু আহুতি প্ৰদান। দুপৰীয়া ১.৪৩ বজাত শ্ৰী শ্ৰী নৱগ্ৰহ মহাযজ্ঞৰ পূৰ্ণাহুতি প্ৰদান অনুষ্ঠান। আহুতি প্ৰদান অনুষ্ঠান সম্পন্ন হোৱাৰ পিছতে শান্তি আৰু পুষ্পাঞ্জলি প্ৰদান। আবেলি ৩.৩০ বজাত ঢুলীয়া প্ৰদৰ্শন কৰিব। সন্ধিয়া ৭.৩০ বজাত সংগীতানুষ্ঠানৰ আয়োজন কৰা বুলি আয়োজক সমিতিয়ে জানিবলৈ দিয়ে।

# বৃহত্তৰ জাঁজীমুখৰ ৰাজহুৱা সভাত মিস্ত্ৰী সন্থা গঠন

**ই-সংবাদ, ৩ মাৰ্চ টীয়কঃ** যোৰহাট জিলাৰ নতুন মৰিয়নী সমষ্টিৰ অন্তৰ্গত বানপীড়িত অঞ্চল জাঁজীমুখ জপং গাঁও ৰংগমঞ্চত স্থানীয় গাওঁ প্ৰধান দীপক টায়েৰ সভাপতিত্বত এখনি ৰাজহুৱা সভা অনুষ্ঠিত হয়। প্ৰায় দুই শতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত সভাত ভাৰতীয় জনতা পাৰ্টিৰ টীয়ক মণ্ডল উপ-সভাপতি বিপ্লৱ দাস, সাংবাদিক ৰূপকজ্যোতি বৰা, বিশ্বজিত লাহন উপস্থিত থকা সভাত বিশেষকৈ মিস্ত্ৰিসকলৰ সমস্যা আৰু তেওঁলোকে পাবলগা সুবিধাৰ সন্দৰ্ভত এক বিস্তৃত আলোচনা চক্ৰ অনুষ্ঠিত হয়। ভাষণ প্ৰসংগত সাংবাদিক ৰূপকজ্যোতি বৰাই শ্ৰমিকসকলৰ পঞ্জীয়ন আৰু তেওঁলোকে পাবলগা সুবিধাসমূহৰ সন্দৰ্ভত বক্তব্য আগবঢ়ায়। বিপ্লৱ দাস আৰু সাংবাদিক বিশ্বজিত লাহনে শ্ৰমিকসকলৰ কৰণীয় সন্দৰ্ভত সাবলীলভাৱে আগবঢ়োৱা বক্তব্যৰ অন্তত স্থানীয় মিস্ত্ৰিসকলৰ মাজত "জাঁজীমুখ মিস্ত্ৰি সন্থা" নামাকৰণেৰে এটি সন্থা গঠন হয়। সভাৰ সৰ্বসন্মতক্ৰমে নৱ নিৰ্মিত সমিতিখনৰ বিনোদ দাসক সভাপতি, দিলীপ দাস, মঠু কলিতা, উপ সভাপতি বুধেশ্বৰ কলিতাক সম্পাদক, আকাশ টাই, জীতেন বৰাক সহঃসম্পাদক, অতুল দাস, অবিৰাম পাদুনক কোষাধ্যক্ষ আৰু ভাইটি টাই নৱজিত হাজৰিকা, যোগেন টাইডক উপদেষ্টা হিচাপে লৈ প্ৰায় এশজন সদস্যৰে "জাঁজীমুখ মিস্ত্ৰি সন্থা" গঠন কৰা হয়। সন্থাটোক লৈ আশাবাদী হৈ পৰিছে মিস্ত্ৰীসকল।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# তিনিচুকীয়াৰ মাকুমৰ বিশিষ্ট সমাজকৰ্মী অখিল চন্দ্ৰ বৰুৱাক অস্মিতা ফাউণ্ডেচন বঁটা প্ৰদান

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ৩ মাৰ্চঃ** ২০১৬ চনত স্থাপিত তিনিচুকীয়া জিলাৰ সমাজসেৱাৰ এটি স্বেচ্ছাসেৱী সংগঠন অস্মিতা ফাউণ্ডেচনে আজি তিনিচুকীয়াৰ বৰদলৈ নগৰস্থিত হোটেল হিল্টন ব্লু'ৰ সভাকক্ষত এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত জীৱন জীৱন বৰ অনুপম শীৰ্ষক জীৱন উদযাপন বিষয়ক এক অন্তৰংগ আলাপ আৰু অস্মিতা ফাউণ্ডেশ্যন বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত কৰে। অস্মিতা ফাউণ্ডেচনৰ সভাপতি তথা সাহিত্যিক, সমাজকৰ্মী অতুল চন্দ্ৰ শৰ্মাৰ সভাপতিত্বত বিয়লি দুই বজাৰপৰা অনুষ্ঠিত হোৱা অনুষ্ঠানটিত প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ চাবুৱাৰ কেন্দ্ৰৰ তত্বাৱধায়িকা বি কে চুমিয়ে জীৱন জীৱন বৰ অনুপম শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদানেৰে মানৱতাৰ মহত্ব দাঙি ধৰে। ৰুমী গোস্বামীৰ মংগলাচৰণেৰে আৰম্ভ হোৱা অনুষ্ঠানটিৰ আঁতধৰে ডিগবৈৰ বিশিষ্ট সাংবাদিক তথা সাংস্কৃতিক কৰ্মী পল্লৱ শৰ্মাই। আদৰণি ভাষণ আগবঢ়ায় অতুল চন্দ্ৰ শৰ্মাই। বিশিষ্ট অতিথিৰ ভাষণত বিশিষ্ট শিক্ষাবিদ তথা তিনিচুকীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰাণা চাংমাই, ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা তথা অনাতাঁৰ শিল্পী বীণা দেৱী বৰদলৈ, বিশিষ্ট সাহিত্যিক ডাঃ নিলাক্ষী চলিহা গগৈ, প্ৰজাপিতা ব্ৰহ্মকুমাৰীৰ বি কে চুমি আদিয়ে বক্তব্য ৰাখে। উক্ত অনুষ্ঠানতে তিনিচুকীয়া জিলাৰ মাকুম নিৱাসী বিশিষ্ট সমাজকৰ্মী, সাহিত্যিক, সাংবাদিক, জনগোষ্ঠীয় ৰাইজৰ বাবে সেৱা আগবঢ়াই অহা শিশুগৃহৰ আপোন মানুহ অখিল চন্দ্ৰ বৰুৱাক চলিত বৰ্ষৰ অস্মিতা ফাউণ্ডেচন বঁটা প্ৰদান কৰা হয়। উল্লেখ্য যে অখিল চন্দ্ৰ বৰুৱাই অসমৰ পূব প্ৰান্তৰ সীমান্তবৰ্তী অঞ্চলসমূহৰ জনগোষ্ঠীয় ৰাইজৰ বুকুত ২০০২ চনৰ পৰাই নীৰৱে সেৱা আগবঢ়াই আহিছে। অসম আৰু অৰুণাচল দুয়োখন ৰাজ্যৰ সীমান্তৱৰ্তী ৰাইজৰ মাজত প্ৰেম আৰু ভাতৃত্বৰ এনাজৰী গঢ়ি তোলাত তেওঁ সফলতা লাভ কৰিছে। তিনিখনকৈ গ্ৰন্থ ৰচনাৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰা লেখক, সাংবাদিক, উপন্যাসিক অখিল চন্দ্ৰ বৰুৱা মাকুমৰ অগ্ৰণী সামাজিক সংগঠন সূৰ্যোদয়ৰ সঞ্চালক তথা জাৰ্ণেলিষ্ট ইউনিয়ন অব আছাম, চমুকৈ 'জুৱা'ৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি। স্মৰ্তব্য যে তিনিচুকীয়াৰ বিশিষ্ট সমাজকৰ্মী, সু-সাহিত্যিক অতুল চন্দ্ৰ শৰ্মা আৰু অজন্তা শৰ্মাৰ কণিষ্ঠা কন্যা অস্মিতাই ২০১৫ চনত এই পৃথিৱীৰ পৰা আঁতৰি গৈছিল। অতি প্ৰতিভাময়ী অস্মিতাৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ প্ৰয়াসেৰে ২০১৬ চনৰ পৰা অস্মিতা ফাউণ্ডেচন বঁটা প্ৰৱৰ্তন কৰা হয়। আৰ্থিকভাৱে দুৰ্বল, কেঞ্চাৰ ৰোগীসকলৰ সহায় আৰু সচেতনতা কাৰ্যসূচী সম্পন্ন কৰি অহা অস্মিতা ফাউণ্ডেচনে এতিয়ালৈকে বহুকেইখন গ্ৰন্থও প্ৰকাশ কৰিছে। অনুষ্ঠানত তিনিচুকীয়াৰ কণ্ঠশিল্পী কামিনী কুমাৰ গোহাঁইৰ লগতে দীপিকা মেধীয়ে একোটিকৈ গীত পৰিৱেশন কৰি অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সমজুৱাৰ দু-আষাৰত কণ্ঠশিল্পী তথা সাংস্কৃতিক কৰ্মী মানসী বৰুৱাই বক্তব্য আগবঢ়ায়। অনুষ্ঠানত অস্মিতা ফাউণ্ডেচনৰ কাৰ্যকৰ্তাসকলৰ লগতে ভালেকেইগৰাকী বিশিষ্ট তথা গণ্য-মান্য ব্যক্তিৰ উপৰিও জিলাখনৰ বিভিন্ন প্ৰান্তৰপৰা অহা শতাধিক লোক উপস্থিত থাকে। শেষত অসম সংগীতেৰে অনুষ্ঠানৰ সামৰণি মৰা হয়।

## পৰ্যাপ্ত বৰষুণৰ অভাৱ

# কলগাছিয়াত ইৰিধান, মাকৈৰ খেতি ক্ষতিগ্ৰস্ত

**ই-সংবাদ, কলগাছিয়া, ৩ মাৰ্চঃ** বৰপেটা জিলাৰ নৱগঠিত মন্দিয়া বিধান সভা সমষ্টিৰ অন্তৰ্গত বিভিন্ন ঠাইত কৃষকসকলে মাকৈ খেতিক লৈ বিপাঙত পৰা পৰিলক্ষিত হৈছে। নিজৰ গাঁঠিৰ ধন খৰচ কৰি কৃষকসকলে মাকৈ আৰু ইৰি ধানৰ খেতি কৰিছে যদিও বিদ্যুতৰ লুকাভাকু আৰু বিদ্যুতৰ বিল দিনেক দিনে বৃদ্ধি হোৱাত দুখীয়া খেতিয়কসকলে পথাৰত পানী দিব পৰা নাই। যাৰফলত খেতিয়কসকলে কৰা ইৰিধান আৰু মাকৈ খেতি পানীৰ অভাৱত বিনষ্ট হোৱাৰ উপক্ৰম হৈছে। যাৰবাবে বৃহত্তৰ কলগাছিয়া এলেকাৰ নব্বৈ শতাংশ কৃষিজীৱী লোকে এজাক বৰষুণৰ আশাৰে বাট চাই আছে। তদুপৰি, বজাৰৰপৰা অধিক দামত ৰাসায়নিক সাৰ ক্ৰয় কৰি খেতিয়কসকলে খেতি কৰিছে যদিও বৰষুণ নোহোৱাৰ বাবে মাকৈ গছৰ ভিতৰৰ পৰা মূল পাতখিলা এক প্ৰকাৰৰ পোকে খাই পেলোৱাৰ ফলত অৱশেষত সেই গছডাল মৰি যায়। যদিহে খেতিয়কসকলে সময়মতে খেতিত পানীৰ যোগান দিব নোৱাৰে তেন্তে খেতিয়কসকলৰ যথেষ্ট ক্ষয়-ক্ষতি হোৱাৰ সম্ভাৱনা অধিক। এই সংক্ৰান্তত দুখীয়া খেতিয়কসকলৰ মাজত এক আতংকময় পৰিৱেশৰ সৃষ্টি হৈছে। সেয়েহে এই বৃহৎ অঞ্চলৰ সৰ্বস্তৰৰ কৃষকে পথাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ ইতিবাচক দৃষ্টি আকৰ্ষণ হোৱাটো বিচাৰিছে।




# মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থী প্ৰতিভা সমাৰোহ-২০২৫ আৰম্ভ

**ই-সংবাদ, মাজুলী, ৩ মাৰ্চঃ** মাজুলীৰ উচ্চ শিক্ষানুষ্ঠান মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক পাঠ্যক্ৰমৰ লগতে ক্ৰীড়া, সাংস্কৃতিক, বৌদ্ধিক আৰু শৈল্পিক প্ৰতিভা বিকাশৰ উদ্দেশ্যে বিশ্ববিদ্যালয়ৰ ছাত্ৰ সংসদৰ উদ্যোগত আজিৰেপৰা তৃতীয় বাৰ্ষিক শিক্ষাৰ্থী প্ৰতিভা সমাৰোহ-২০২৫ আৰম্ভ হয়। এই উপলক্ষে আজি পুৱা ছাত্ৰ সংসদৰ সাধাৰণ সম্পাদক হেনৰি ফুকনে আঁতধৰা অনুষ্ঠানত গড়মূৰ চিতাদাৰচুকস্থিত অস্থায়ী চৌহদত বিশ্ববিদ্যালয়ৰ পতাকা উত্তোলন কৰে উপাচাৰ্য ড° নিৰোদ বৰুৱাই। ভাষণত উপাচাৰ্যগৰাকীয়ে ছাত্ৰ-ছাত্ৰীৰ উৎকৰ্ষ সাধনৰ লগতে নৱ-নিৰ্বাচিত প্ৰথম ছাত্ৰ সংসদৰ বিষয়ববীয়াসকলক অভিনন্দন জনায় সমাৰোহখনি সফল ৰূপায়ণ কৰিবৰ বাবে শুভেচ্ছা জনায়। তাৰপিছতে শ্বহীদ বেদীত বন্তি প্ৰজ্বলন কৰে ছাত্ৰ সংসদৰ সভাপতি জয়ন্ত পাও আৰু সাধাৰণ সম্পাদক হেনৰি ফুকনে। পুৱা ৯ বজাত শিক্ষাৰ্থী প্ৰতিভা সমাৰোহখনি উদ্বোধন কৰি ভাষণ প্ৰদান কৰে পঞ্জীয়ক ড° বিনোদ চন্দ্ৰ বড়াই। দহ বজাৰপৰা একক ক্ৰীড়া প্ৰতিযোগিতা আৰম্ভ হয়। একক সংগীত বিষয়সমূহ হ'ল- বৰগীত, লোকগীত, ভূপেন্দ্ৰ সংগীত, বিষ্ণুৰাভা সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হয় তেজস্বিতা শিল্পশালাত। শেষত বেডমিণ্টন প্ৰতিযোগিতাৰে প্ৰথম দিনৰ কাৰ্যসূচী সামৰণি পৰে। কাইলৈ দ্বিতীয় দিনা কবিতা আবৃত্তি (অসমীয়া-ইংৰাজী), বক্তৃতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতা, একক সংগীত প্ৰতিযোগিতা জ্যোতি সংগীত, আধুনিক গীত, খেয়াল আৰু সন্মিলিয়া সমবেত সংগীত, দিহানাম আৰু বিয়ানাম প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

# ডিব্ৰুগড়ত মধুমিতা সংঘৰ দিহানাম প্ৰতিযোগিতাৰ বঁটা বিতৰণী সম্পন্ন

**ই-সংবাদ, ডিব্ৰুগড়, ৩ মাৰ্চঃ** যোৱা ১ মাৰ্চত ডিব্ৰুগড়ৰ অন্যতম অগ্ৰণী মহিলা অনুষ্ঠান মধুমিতা সংঘৰ উদ্যোগত সংঘৰ এগৰাকী সৰবৰহী সদস্যা প্ৰয়াত প্ৰতিভাসেন বৰুৱাৰ স্মৃতিত মহিলাৰ দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হয়। আঞ্চলিক ভিত্তিত অনুষ্ঠিত এই প্ৰতিযোগিতাত স্থানীয় বহুকেইটা দিহানামৰ দলে অংশগ্ৰহণ কৰে। মধুমিতা সংঘৰ সভাপতি জোনালী খাউণ্ডৰ আদৰণী ভাষণৰ পিছত সম্পাদক ৰূপালী ভট্টাচাৰ্যই উদ্দেশ্য বাখ্যা আৰু মুখ্য উপদেষ্টা কুমকুম দত্তৰ বন্তি প্ৰজ্বলনৰ পাছত প্ৰতিযোগিতাখনি আৰম্ভ হয়। প্ৰতিযোগিতাত শ্ৰেষ্ঠতাৰ ভিত্তিত যথাক্ৰমে পাঞ্চজন্য দিহানামৰ দলে প্ৰথম, মণিকাঞ্চণ দিহানামৰ দলে দ্বিতীয় আৰু মাইজান নামঘৰ দিহানামৰ দলে তৃতীয় স্থান লাভ কৰে। তদুপৰি আমোলাপট্টি ৰাজহুৱা নামঘৰ আৰু কলাখোৱা-লেজাই গাঁও দিহানামৰ দলে বিচাৰকৰ বিশেষ বঁটা লাভ কৰে। বঁটা-বিতৰণী সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা প্ৰয়াত প্ৰতিভাসেন বৰুৱাৰ পুত্ৰ ধ্ৰুৱশ্ৰী পদ্মনাভসেন বৰুৱাই মাতৃৰ স্মৃতি বিজড়িত মধুমিতা সংঘৰ অতীত ৰোমন্থন কৰি নষ্টালজিক হৈ পৰে আৰু মধুমিতা সংঘৰ এনে মহৎ প্ৰয়াসৰ শলাগ লয়। কাৰ্যসূচীত শলাগৰ শৰাই আগবঢ়ায় মধুমিতা সংঘৰ কাৰ্যকৰী সভানেত্ৰী মিনতি চলিহাই। অনুষ্ঠানলৈ দাতা পৰিয়ালে আগবঢ়োৱা আৰ্থিক সাহায্য আৰু ডাঃ সোণ শইকীয়াই আগবঢ়োৱা ট্ৰফীসমূহৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে।

# বৰপেটাত সংবাদ মাধ্যমৰ সাক্ষৰতা প্ৰসাৰৰ বিশেষ কাৰ্যসূচী

**ই-সংবাদ, বৰপেটাৰোড, ৩ মাৰ্চঃ** বৰপেটা জিলাত সংবাদ মাধ্যমৰ সাক্ষৰতাক প্ৰসাৰৰ বাবে পিৰামল ফাউণ্ডেচনৰ উদ্যোগত সোমবাৰে মিডিয়া মেটাৰ্ছে ডাইলগ অন ইমপেক্ট শীৰ্ষক কৰ্মশালা অনুষ্ঠিত কৰে। কাৰ্যসূচীত সহযোগ কৰে জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয় আৰু বৰপেটা ৰোড প্ৰেছ ক্লাবে। পিৰামল ফাউণ্ডেশ্যনৰ যোগাযোগ বিভাগৰ জ্যেষ্ঠ কাৰ্যসূচী সঞ্চালক সঞ্জয় সিং, বৰপেটাৰোড পৌৰ নিগমৰ অধ্যক্ষ ৰাজা সৰকাৰ, আৰু বৰপেটা জিলাৰ তথ্য আৰু জনসংযোগ বিষয়া ৰানা প্ৰতাপ শইকীয়াৰ লগতে পিৰামল ফাউণ্ডেশ্যনৰ ফেলো, জিলাখনৰ কেইবাগৰাকীও উল্লেখযোগ্য সাংবাদিক আৰু বৰপেটাৰোড হাউলী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল অনুষ্ঠানত উপস্থিত আছিল। সঞ্জয় সিঙে বাধ্যতামূলক গল্পৰ জৰিয়তে স্থায়ী প্ৰভাৱ আৰু উত্তৰাধিকাৰ সৃষ্টি কৰিব পৰা সমাধান সাংবাদিকতাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। লগতে সাংবাদিকসকলক ইতিবাচক কাহিনীৰ ওপৰত কাম কৰিবলৈ উৎসাহিত কৰে। জিলাৰ তথ্য আৰু জনসংযোগ বিষয়া ৰাণা প্ৰতাপ শইকীয়াই সংবাদ মাধ্যমৰ পৰিৱৰ্তিত মুখৰ ওপৰত ভাষণ দি পুৰণি আৰু নতুন সংবাদ মাধ্যমৰ মঞ্চৰ মাজত সহযোগিতাই তাৎক্ষণিকতা বজাই ৰাখি সঠিকতা নিশ্চিত কৰিব পাৰে বুলি দৃঢ়তাৰে কয়। লগতে তেওঁ সাংবাদিকসকলক ভুৱা বাতৰিৰ পৰা সাৱধান হ'বলৈ আহ্বান জনায়। পৌৰসভা ব'ৰ্ডৰ অধ্যক্ষই নিজৰ ভাষণত ন্যায়সংগত আৰু ন্যায্য কভাৰেজৰ বাবে নিজৰ কৰ্তব্য পালন কৰাৰ সময়ত সাংবাদিকসকলে সন্মুখীন হোৱা অসংখ্য প্ৰত্যাহ্বানৰ বিষয়ে কয়। কৰ্মশালাত উপস্থিতসকলে প্ৰমাণ-পত্ৰ লাভ কৰাৰ লগতে নিজৰ কামৰ জৰিয়তে সত্যক বজাই ৰাখিবলৈ অধ্যৱসায়ীভাৱে কাম কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। একে সময়তে পিৰামল ফাউণ্ডেচনে নিজৰ ফেল'শ্বিপ কাৰ্যসূচীৰ জৰিয়তে জিলাখনৰ সাংবাদিকসকলৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। বৰপেটা ৰোড প্ৰেছ ক্লাবৰ সম্পাদক ধ্ৰুৱজ্যোতি নাথৰ ধন্যবাদসূচক ভাষণেৰে কৰ্মশালাৰ সামৰণি পৰে।



ডিব্ৰুগড়ত বৌদ্ধ ঐক্য সমাজ, অসমৰ দ্বিতীয় বাৰ্ষিক অধিৱেশনৰ এক দৃশ্য, ফটোঃ ই-সংবাদ, ডিব্ৰুগড়

# জাগীৰোডত ৮-৯ মাৰ্চত কুমৈ আঞ্চলিক যুৱক সংঘৰ সোণালী জয়ন্তী উৎসৱ

**ই-সংবাদ, জাগীৰোড, ৩ মাৰ্চঃ** ১৯৭৫ চনতে প্ৰতিষ্ঠা লাভ কৰা কুমৈ আঞ্চলিক যুৱক সংঘই ইয়াৰ পঞ্চাশ বৰ্ষ অতিক্ৰম কৰাৰ্থে আগন্তুক ৮ আৰু ৯ মাৰ্চত দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে সোণালী জয়ন্তী উৎসৱৰ আয়োজন কৰা হৈছে। কুমৈ পাঁচআলিত অনুষ্ঠিত হ'বলগীয়া কাৰ্যসূচী অনুসৰি ৮ মাৰ্চত পুৱা ৮ বজাত বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব ঐতিহাসিক কুমৈ ৰাজ্যৰ ৰজা চুচেন বৰদলৈয়ে। ৮.৩০ বজাত স্মৃতি তৰ্পণ কৰিব অঞ্চলটোৰ জ্যেষ্ঠ নাগৰিক ৰুদেশ্বৰ বৰদলৈয়ে। ৯ বজাত উদ্যাপন সমিতিৰ সভাপতি প্ৰদীপ দেউৰীয়ে মূল পতাকা উত্তোলন কৰাৰ পাছতেই অঞ্চলটোৰ ৫০ গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা ৫০ খন পতাকা উত্তোলন কৰা হ'ব। তাৰপাছতে কুলৈ সামাজিক বন বিষয়াই গছপুলি ৰোপণ কৰিব। ১০ বজাত আদৰণি অনুষ্ঠানৰ পাছতে বিয়লি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত হ'বলগীয়া কুইজ, কবিতা আবৃত্তি প্ৰতিযোগিতা উদ্বোধন কৰিব ভুৰবন্ধা কণিষ্ঠ মহাবিদ্যালয়ৰ প্ৰৱক্তা প্ৰদীপ শৰ্মাই। আনহাতে, সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠানটি উদ্বোধন কৰিব তিৱা স্বায়ত্ত পৰিষদৰ কাৰ্যবাহী সদস্য খগেন চন্দ্ৰ বৰদলৈয়ে। দ্বিতীয় দিনা অৰ্থাৎ ৯ মাৰ্চৰ পুৱা ৯ বজাত বাৰেৰহণীয়া সাংস্কৃতিক শুভাযাত্ৰা উদ্বোধন কৰিব অসমৰ মোহময়ী অভিনেত্ৰী তথা চলচ্চিত্ৰ পৰিচালক আইমী বৰুৱাই। বিয়লি ১ বজাৰপৰা সোণালী জয়ন্তী উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি প্ৰদীপ দেউৰীৰ সঞ্চালনাত অনুষ্ঠিত হ'ব মুকলি সভা। উক্ত সভাতেই এখনি স্মৃতিগ্ৰন্থ উন্মোচন কৰিব তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰে। অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব অসম চৰকাৰৰ শিক্ষা সচিব নাৰায়ণ কোঁৱৰ, বিশিষ্ট সাহিত্যিক মিলেশ্বৰ পাতৰ আৰু অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দিবাকৰ বৰদলৈয়ে। অনুষ্ঠানত বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰিব মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী, জাগীৰোড সমজিলা আয়ুক্ত বিমান দাস আৰু মায়ং ৰাজহ চক্ৰৰ চক্ৰ-বিষয়া প্ৰিয়ংকা গগৈ, তিৱা ৰাজ দৰবাৰৰ সভাপতি জুৰচিং বৰদলৈ, ৰহা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক যতীন্দ্ৰ কুমাৰ পাৰৈ, অসম প্ৰশাসনিক বিষয়া কিষাণজ্যোতি ডেকা, যোৰহাট মহাবিদ্যালয়ৰ অধ্যাপক জ্যোতিৰ্ময় বৰদলৈ, জাগীৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভদ্ৰেশ্বৰ পেগু আৰু মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° হৰমোহন কলিতায়ে। নিশা কণ্ঠশিল্পী মেঘালী বৰ্ষা, দৰ্শন কিলিং আৰু নৱনীলৰ সংগীতানুষ্ঠান অনুষ্ঠিত হ'ব। এই বিশেষ সাংস্কৃতিক অনুষ্ঠানটো উদ্বোধন কৰিব মৰিগাঁও জিলা আয়ুক্ত দেৱাশিষ শৰ্মাই।

## মুকলি কৰাৰ এবছৰ পাছতো বহু পৰিয়ালে নাপালে এটুপি পানী

# ছিপাঝাৰত জলজীৱন আঁচনিৰ নামত ভেঁকোভাওনা

**ই-সংবাদ, পশ্চিম দৰং, ৩ মাৰ্চঃ** প্ৰতিঘৰ পৰিয়ালত বিশুদ্ধ খোৱাপানী যোগান ধৰা উদ্দেশ্যে নিৰ্মাণ কৰা কোটিটকীয়া জলজীৱন আঁচনি কোনো ঠাইত ভেঁকোভাওনাত পৰিণত হৈ পৰাৰ অভিযোগ উত্থাপন হৈছে। মঙলদৈ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনস্থ ছিপাঝাৰত জলজীৱন নামৰ আঁচনিখন বিভাগ আৰু জনপ্ৰতিনিধি ৰাইজৰ বাবে আনুষ্ঠানিকভাৱে মুকলি কৰাৰ ধুম উঠাৰ সময়তে এনে আঁচনিৰপৰা ঠায়ে ঠায়ে পৰিয়ালে পানী নোপোৱাৰ অভিযোগ উত্থাপন হৈছে। অভিযোগ অনুসৰি বিগত বৰ্ষৰ ১৩ নৱেম্বৰত ছিপাঝাৰৰ চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তৰ কুমাৰপাৰাত জলজীৱন আঁচনি এখন ৰাইজৰ বাবে আনুষ্ঠানিকভাৱে মুকলি কৰিছিল দৰং জিলা পৰিষদৰ তদানীন্তন সভাপতি ধীৰেন্দ্ৰ ডেকাৰ লগতে বিভাগীয় অভিযন্তাই। কিন্তু আশ্চৰ্যজনক কথা যে আঁচনিখন ৰাইজৰ বাবে মুকলি ঠিকেই কৰা হ'ল যদিও গাঁওখনৰ উত্তৰ চুবুৰীৰ বহু পৰিয়ালে আঁচনিখনৰ জৰিয়তে আজি এবছৰৰ পাছতো এটুপিও বিশুদ্ধ পানী পাবলৈ সৌভাগ্য নোহোৱাৰ অভিযোগ উঠিছে। পৰিয়ালে পৰিয়ালে পানীৰ টেপ বহুৱাইছিল যদিও টেপসমূহ তেনেদৰেই পৰিত্যক্ত অৱস্থাত থকা বুলি প্ৰকাশ। এইসকল পৰিয়ালে বিভাগৰ এয়া ভেঁকোভাওনাৰ বাহিৰে আন একো নহয় বুলি ক'ব খোজে। জলজীৱন আঁচনিৰ পানী বঞ্চিত এই লোকসকলে আৰু কয় যে মঙলদৈ জনস্বাস্থ্য কাৰিকৰী বিভাগে আঁচনিৰ জৰিয়তে ৰাইজক যদি পানীয়েই যোগান ধৰিব নোৱাৰে তেনেহ'লে আঁচনিখন ৰাজকোষৰ কোটি টকা খৰচ কৰি কাৰ উপকাৰ সাধন কৰিব বিচাৰিছে। তদুপৰি আঁচনিখনৰ জৰিয়তে পৰিয়ালে যদি পানীয়েই লাভ নকৰে তেন্তে আঁচনিখন ৰাইজৰ বাবে মুকলি কৰাৰ অৰ্থই বা কি আছিল। গাঁওখনৰ পানী বঞ্চিত পৰিয়ালে বিষয়টো বিভাগৰ সহকাৰী অভিযন্তাক অৱগত কৰাৰ পিছত হৈ যাব, দুই-চাৰিদিনত হৈ যাব, একো চিন্তা নকৰিব ইত্যাদি আঁভুৱাভাৰা কথাৰে নিজৰ দায়িত্ব সামৰাৰ অভিযোগ উঠিছে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰীয়ে ছিপাঝাৰত নিজৰ বিভাগৰ আঁচনিৰ নামত কি চলি আছে গম পাইনে বুলি ক্ষোভিত লোকসকলে ক'ব বিচাৰে। ইফালে, বিশুদ্ধ পানীৰপৰা বঞ্চিত পৰিয়ালসমূহে দমকলৰ আইৰণযুক্ত পানীকেই সেৱন কৰি জানি-বুজিও বেমাৰ চপাবলগীয়া হোৱাৰ বাহিৰে তেওঁলোকৰ গত্যন্তৰ নোহোৱা হৈ পৰা বুলি গভীৰ আক্ষেপ প্ৰকাশ কৰে।


# জামুগুৰিহাটত বনৰীয়া ফুলৰ দৃষ্টিনন্দন শোভাই মুহিছে পথিকৰ মন



**ই-সংবাদ, চতিয়া, ৩ মাৰ্চঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ পথাৰত ফুলা এবিধ গোলপীয়া-বেঙুনীয়া ৰঙৰ বনৰীয়া ফুলৰ দৃষ্টিনন্দন শোভাই এতিয়া মুগ্ধ কৰিছে সকলোকে। অঞ্চলটোৰ বৰাচুক গাঁৱৰ সমীপৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে প্ৰায় ১৫ বিঘাৰো অধিক ভূমিৰ পথাৰখনত ফুলা এইবিধ ফুলৰ সৌন্দৰ্য্যত এতিয়া আত্মবিভোৰ হৈ পৰিছে সকলো শ্ৰেণীৰ ৰাইজ। এখন গোলপীয়া-বেঙুনীয়া ৰঙৰ কাৰ্পেটৰ দৰেই বিয়পি থকা এই বনৰীয়া ফুলৰ সৌন্দৰ্য্য প্ৰাণভৰি উপভোগ কৰিবলৈকে জামুগুৰিহাটৰ বৰাচুক গাঁৱৰ পথাৰখনত এতিয়া দৈনিক সমাগম ঘটিছে হাজাৰ হাজাৰ লোকৰ। কেৱল জামুগুৰিহাটৰে নহয় অসম বিভিন্ন স্থানলৈ ৰাষ্ট্ৰীয় ঘাইপথৰে অহা-যোৱা কৰা ব্যক্তিয়েও এতিয়া গাড়ী ৰখাই পথাৰখনত ফুলি থকা বনৰীয়া ফুলবিধৰ সৌন্দৰ্য্য উপভোগ কৰাৰ লগতে একপি ফটো উঠাও দেখিবলৈ পোৱা গৈছে ইতিমধ্যেই জামুগুৰিহাটৰ এই পথাৰখন সম্প্ৰতি 'পিংক লেণ্ড' হিচাপে পৰিচিত হৈ পৰিছে। উল্লেখ্য যে বনৰীয়া ফুলবিধৰ ওপৰত ফটো উঠিবলৈ অহা একাংশ যুৱকে এতিয়া ফুলবিধৰ ওপৰত বাইক তথা মটৰচাইকেল চলাই ফুলবিধৰ অনিষ্ট সাধন কৰা ঘটনাই সৌন্দৰ্য্যপিপাসু প্ৰতিজন লোকক ব্যথিত কৰিও তুলিছে।

# বৰডুবিত বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ

**ই-সংবাদ, তিনিচুকীয়া, ৩ মাৰ্চঃ** তিনিচুকীয়া জিলাত অব্যাহত আছে ড্ৰাগছ বিৰোধী অভিযান। আজি বৰডুবি (টিলিঙা মন্দিৰ)ৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত থকা গগৈ ফেমিলী ৰেষ্টুৰেণ্ট এণ্ড ধাবা ৰ সমীপৰপৰা বৰডুবি আৰক্ষীয়ে বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ কৰাৰ লগতে এগৰাকী মহিলাসহ দুজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। এক গোপন সূত্ৰৰ ভিত্তিত বৰডুবি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শংকৰজ্যোতি বৰুৱাৰ নেতৃত্বত যোৱা এটা আৰক্ষীৰ দলে অভিযান চলাই ড্ৰাগছ সৰবৰাহকাৰী কেইজনৰ পৰা প্ৰায় ১২০.৩৯ গ্ৰাম সন্দেহজনক নিষিদ্ধ ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হয়। তিনিচুকীয়া সদৰ আৰক্ষী, বৰডুবি আৰক্ষী আৰু হিজুগুৰি আৰক্ষীৰ যৌথ প্ৰচেষ্টাত চলা এই অভিযানত



আটক হোৱা ড্ৰাগছ সৰবৰাহকাৰী কেইজন হৈছে- পানীতোলা বৰুৱাহোলাৰ প্ৰণৱজ্যোতি শইকীয়া আৰু বৰডুবি ধৰিয়াৰাইটুকৰ জনৈক বড়া। আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহকাৰী কেইটাৰ পৰা এখন নম্বৰ বিহীন এনটৰ্ক স্কুটী আৰু এখন হোণ্ডা গ্ৰাজিয়া স্কুটী জব্দ কৰি থানালৈ লৈ যায়। বৰডুবি আৰক্ষীয়ে আটাইকে নিজৰ জিম্মাত লয়।

# বৌদ্ধ ঐক্য সমাজৰ অধিৱেশন সম্পন্ন

ই-সংবাদ, ডিব্ৰুগড়, ৩ মাৰ্চঃ বৌদ্ধ ঐক্য সমাজ অসমৰ দ্বিতীয়খন বাৰ্ষিক অধিৱেশন ২ মাৰ্চ তাৰিখে ডিব্ৰুগড় বৌদ্ধ বিহাৰ প্ৰাংগণত সহস্ৰাধিক সদস্যৰ উপস্থিতিত বৌদ্ধ ঐক্য সমাজৰ সভাপতি উত্তম বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হয়। পঞ্চশীল প্ৰাৰ্থনাৰে অধিৱেশনৰ পাতনি মেলা অনুষ্ঠানত সচিবপ্ৰধান শ্যামল বৰুৱাই বছৰেকীয়া প্ৰতিবেদন পাঠ কৰে আৰু এই সভাতেই বৌদ্ধ শিক্ষা আৰু নৱপ্ৰজন্ম শীৰ্ষক এখন আলোচনা-চক্ৰ অনুষ্ঠিত হয়। আঞ্চলিক ভিক্ষু সংঘ সমিতিৰ সভাপতি ভিক্ষু সুমেদা নন্দ মহাথেৰ, মাৰ্ঘেৰিটা বৌদ্ধ বিহাৰৰ উপাধ্যক্ষ তথা আঞ্চলিক ভিক্ষু সংঘ সমিতিৰ সাধাৰণ সম্পাদক ভিক্ষু ইন্দাচাৰে সভাত ভাষণত প্ৰদান কৰে। আগন্তুক কাৰ্য্যকালত অনতিপলমে ডিমৌ থাওৱা চাহ বাগিচাত এটি শাখা সমিতি গঠন কৰা হ'ব বুলিও কোৱাৰ লগতে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

# কলকাতা নাইট ৰাইডাৰ্ছৰ নেতৃত্ব দিব ৰাহানেই

**নতুন দিল্লী, ৩ মাৰ্চঃ** আইপিএলৰ শেহতীয়া ছিজনৰ চেম্পিয়ন কলকাতা নাইট ৰাইডাৰ্ছে এইবাৰ সলনি কৰিলে অধিনায়ক। শ্ৰেয়াছ আয়াৰৰ ঠাইত দলটোক নেতৃত্ব দিব প্ৰবীণ বেটছমেন অজিংক্য ৰাহানেয়ে। ২২ মাৰ্চৰ পৰা আৰম্ভ হ'বলগীয়া আই পি এলৰ ১৯ দিন পূৰ্বে কেকেআৰে অধিনায়ক সলনি কৰাৰ সিদ্ধান্ত ঘোষণা কৰিছে। দলৰ নেতা সলনিৰ বিষয়টো বহুদিন ধৰি চৰ্চা চলি আছিল। ভেংকটেশ আয়াৰ, সুনীল নাৰিনে আৰু আন্দ্ৰে ৰাছেলও সম্ভাব্য অধিনায়কৰ তালিকাত আছিল। অৱশ্যে শেষত শ্বাহৰুখ খানৰ মালিকানাধীন ফ্ৰেঞ্চাইজিয়ে ঘৰুৱা ক্ৰিকেটত মুম্বাইক নেতৃত্ব দিয়াৰ অভিজ্ঞতা থকা ৰাহানেক বাছি লয়। ইয়াৰ উপৰিও ভেংকটেশ আয়াৰক উপ-অধিনায়কৰ দায়িত্ব দিয়া হৈছে। এইবাৰৰ আইপিএলৰ নিলামত কেকেআৰে ভেংকটেশক ক্ৰয় কৰিবলৈ সৰ্বাধিক ২৩.৭৫ কোটি টকা ব্যয় কৰাৰ বিপৰীতে মাত্ৰ ১.৫ কোটি টকাত ৰাহানেক দললৈ আনিছিল। গতিকে বহুতে ভাবিছিল যে ভেংকটেশ অধিনায়ক হ'ব। লগতে দায়িত্ব ল'বলৈও তেওঁ সাজু বুলি প্ৰকাশ কৰে। অৱশ্যে শেষত কেকেআৰৰ দল পৰিচালনাই অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰে। সোমবাৰে কলকাতা নাইট ৰাইডাৰ্ছে মুকলি কৰে নতুন জাৰ্চিও। নতুন জাৰ্চিৰ বুকুত তিনিটা তাৰকা থাকিব, যিটোৱে কেকেআৰৰ আইপিএলৰ তিনিটা জয়ৰ প্ৰতীক হিচাপে পৰিগণিত হ'ব। তিনিবাৰৰ চেম্পিয়ন কলকাতা নাইট ৰাইডাৰ্ছে নতুন অধিনায়কৰ নেতৃত্বত আগন্তুক আইপিএলত কেনে প্ৰদৰ্শন কৰে সেয়া লক্ষ্যণীয় হ'ব।



ডব্লিউপিএলত গুজৰাট জায়েণ্টৰ উইকেট দখলৰ পিছত দৰ্শকৰ অভিবাদন ইউপি ৱাৰিয়ছৰ কাশ্বী গৌতমৰ, সোমবাৰে



ফাগুনৰ লঠঙা বাটেৰে বেলিটো বুকুত সামৰি ঘৰমূৱা এটি উশাহ! ফটোঃ পল্লৱ গোস্বামী

## ডুবাইত খেলাক লৈ সমালোচকক প্ৰত্যুত্তৰ কেপ্টেইন ৰোহিতৰ

# জয়ী হ'বলৈ অন্য দলৰ দৰে সমানেই যুঁজিবলগীয়া হৈছে ভাৰতেও

**ডুবাই, ৩ মাৰ্চঃ** ডুবাইত সকলো খেল খেলি অতিৰিক্ত সুবিধা লাভ কৰাৰ অভিযোগ উত্থাপন হৈ আহিছে ভাৰতৰ বিৰুদ্ধে। ছেমি ফাইনেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলাৰ পূৰ্বে ৰোহিত শৰ্মাই এই অভিযোগ স্পষ্টভাৱে অস্বীকাৰ কৰে। তেওঁ স্পষ্ট কৰি দিয়ে যে একেখন খেলপথাৰত খেলিলেও বিভিন্ন পিটচত খেলাৰ বাবে একে পৰীক্ষাৰ সন্মুখীন হ'বলগীয়া হয়। পাকিস্তান, অষ্ট্ৰেলিয়া আৰু ইংলেণ্ডৰ কেইবাগৰাকীও প্ৰাক্তন ক্ৰিকেটাৰে ডুবাইত ৰোহিতৰ প্ৰদৰ্শনক লৈ আপত্তি প্ৰকাশ কৰিছে। তেওঁলোকে দাবী কৰে যে ভাৰতক সেই ধৰণে পৰীক্ষা কৰা হোৱা নাই কাৰণ তেওঁলোকে বিভিন্ন খেলপথাৰত বিভিন্ন পৰিস্থিতিত খেলা নাই। সমালোচনাৰ প্ৰত্যুত্তৰ দি ৰোহিতে কয় যে প্ৰতিবাৰেই বেলেগ খেলপথাৰত খেলা বাবে তেওঁলোকৰ পৰীক্ষা চলি আছে। ডুবাইত খেলা তিনিখন মেচৰ প্ৰতিখনতে তেওঁলোকৰ আচৰণ বেলেগ বেলেগ। এইখন তেওঁলোকৰ ঘৰুৱা খেলপথাৰ নহয়, ডুবাইৰ পৰিৱেশ তেওঁলোকৰ বাবে নতুন। ৰোহিতৰ মতে, অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ভাৰতৰ সুবিধা হ'ব যদিহে তেওঁলোকে খেলপথাৰৰ সৈতে সোনকালে খাপ খাব পাৰে। তেওঁৰ মতে ইয়াত চাৰি-পাঁচখন পিটচ খেলা হৈছে। কোনখন পিটচত ছেমি ফাইনেল খেলিব নাজানে। যিয়েই নহওক, তেওঁলোকৰ লক্ষ্য হৈছে সোনকালে খাপ খুৱাই লোৱা। ইয়াৰ উদাহৰণ হিচাপে ৰোহিতে নিউজিলেণ্ডৰ মেচখন উল্লেখ কৰে। তেওঁ কয় যে নিউজিলেণ্ডে বলিং কৰাৰ সময়ত ছুইং হৈছিল। প্ৰথম দুখন মেচত সেয়া হোৱা নাছিল। পূৰ্বৰ মেচখনত বিশেষ স্পিন হোৱা নাছিল যদিও দেওবাৰৰ মেচখনত সেয়া স্পষ্ট হৈ পৰিছিল। ৰোহিতৰ মতে, ইয়াৰ অৰ্থ হ'ল প্ৰতিখন মেচতে খেলপথাৰৰ আচৰণ বেলেগ বেলেগ। ফলত তেওঁলোকে কেতিয়াও আগতীয়াকৈ নাজানে যে পিটচখনে কেনে আচৰণ কৰিব।


ALLEN EDUCARE

HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)

COMPUTER & MONTESSORY TEACHER TRAINING COURSE

COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA

MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA

PLACEMENT 100% GUARANTEE

CONTACT US +91 78965-45243

ADMISSION GOING ON


newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি